REFERENCE
Reading [illegible] Inside Library

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VII

**NO. 18**

The 29th March, 1985

REFERENCE

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1985

(Budget Session)

**Volume VII**

No. 18

Dated, the 29th March, 1985.

Contents | Page


| | | |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 1—18 |
| 2. | Miscellaneous .. ... ... ... | 18—19 |
| 3. | Calling Attention Notice ... ... | 19—20 |
| 4. | Matter under Rule 301 .... ... | 20—24 |
| 5. | Motions for Extention of time ... ... | 25 |
| 6. | Government Bill ... ... ... ... | 26—32 |
| 7. | Adjournment ... ... .. ... | 32 |

Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday the 29th March, 1985 with the Hon'able Speaker in the Chair, 15 (fifteen) Ministers, 11 (eleven) Ministers of State and 43 (forty three) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

Date : 29th March, 1985

**বি ঃ আমচাং ঘৰ্দলি গাওঁৰ কৃষক উচ্ছেদ ।**

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ

* ১৪৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা চৰকাৰে জানেনে যে পানবাৰী মৌজাৰ আমচাং ঘৰ্দলি গাওঁ নিবাসী জনজাতীয় কৃষক শ্ৰীধৰ্দি মিকিৰক ৪ বিঘা ২ লোচা মাটিৰ পৰা উচ্ছেদ কৰা হৈছে ?

(খ) যদি সেয়ে হয়, উচ্ছেদৰ কাৰণ কি ?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪৭। (ক)—উচ্ছেদ কৰা হোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

শ্ৰীপূৰ্ণ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, ৪ বিঘা ২ লোচা মাটিৰ পৰা কৃষক জনক উচ্ছেদ কৰা হৈছে। এই মাটি খিনি প্ৰথমতে চাহ বাগানৰ মাটি আছিল। এতিয়া এই মাটি খিনিত চাৰিওফালে বেৰ দি চাহ গছ ৰোৱাৰ কাৰণে ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত মানুহজনক তাৰ পৰা উচ্ছেদ কৰা হৈছে

কিন্তু মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁক উচ্ছেদ কৰা নাই। মই জনাত এই কৃষক জনক উচ্ছেদ কৰা হৈছে। এই কৃষক জনৰ নামত সেই মাটি খিনিৰ যে খতিয়ান আৰু পট্টা আছে সেই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই মাটিখিনি পানবাৰী মৌজাৰ আমাচাং ঘুলি গাঁৱৰ ৯১২ নং দাগৰ মাটি। আৰু এই মাটি খিনিৰ শ্ৰীদধি মিকিৰৰ নামত কেচা পট্টা আছে আৰু তেওঁৰ ক্ষতিয়ানো আছে। এই মাটিখিনি চাহ বাগানৰ নহয়। এই মাটিখিনিৰ গাতে লগালগিকৈ আমচাং চাহ বাগানৰ ৮ বিঘা ২ কঠা মাটি আছে। এই দুয়োখিনি মাটি দধি মিকিৰে বেৰ খোৰ দি নিজৰ দখলত ৰাখিছে। এতিয়া চাহ বাগানৰ যি ৮ বিঘা ২ কঠা মাটি সেই মাটিখিনি চাহ বাগানে দখল কৰিছে। কিন্তু দধি মিকিৰৰ পট্টাৰ যিখিনি মাটি চাহ বাগানে দখল কৰা নাই।

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ৮ বিঘা ২ কঠা মাটিহে চাহ বাগানে লৈছে। এতিয়া যিখিনি মাটিৰ লগত এই প্ৰশ্নটো জড়িত আছে সেইখিনিৰ পৰিমাণ হল ৪ বিঘা ৪ লোচা আৰু তাত চাহ বাগানৰ ফালৰ পৰা বেৰ দি উচ্ছেদ কৰা হৈছে। এই কথাটো মন্ত্ৰী মহোদয়ে তদন্ত কৰি চাবনেকি ?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই খবৰটো বৰ্ত্তমান মোৰ হাতত নাই। যি ৪ বিঘা ২ লোচা মাটি সেই মাটি দধি মিকিৰৰ খতিয়ান ভুক্ত মাটি গতিকে তেওঁক উচ্ছেদ কৰাৰ প্ৰশ্ন নুঠে।

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, উক্ত মাটি খিনিৰ মোৰ হাতত খতিয়ান আছে। মই নিশ্চত ভাবে জানিব পাৰিছো যে এই কৃষক জনক তাৰ পৰা উচ্ছেদ কৰিছে। যদি তেওঁক তাৰ পৰা উচ্ছেদ কৰা কথাটো সচা হয় তেন্তে সেই মাটি খিনি চৰকাৰে কৃষক জনক ঘুৰাই দিয়াৰ ব্যৱস্হা কৰিবনে ?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই কৃষক জনৰ যিখিনি খতিয়ানৰ মাটি সেইখিনি তেওঁৰ নামত কেচা পট্টা আছে আৰু এতিয়া আমি সেইখিনিত তেওঁক ম্যাদি পট্টাও দিবলৈ ওলাইছো। গতিকে তেওঁক উচ্ছেদ কৰাৰ বা মাটি ঘুৰাই দিয়াৰ প্ৰশ্ন উঠা নাই।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, এই বিষয়টো এটা গুৰুতৰ বিষয়, আজি চাহ বাগানৰ ওচৰে-পাজৰে থকা কৃষক সকলৰ সৰলতা আৰু অজ্ঞতাৰ সুযোগ লৈ একশ্ৰেণী চাহ মালিকে চিলিং চাৰপ্লাচ মাটিবোৰ ক্ৰমান্বয়ে তেওঁলোকৰ অধীনলৈ আনিবলৈ চেষ্টা কৰিছে আৰু ইয়াৰ ফলত দুখীয়া কৃষক সকলৰ প্ৰতি অন্যায় কৰা হৈছে। এতিয়া মাননীয় সদস্য গৰাকীয়ে কৈছে যে শ্ৰীদধি মিকিৰক উচ্ছেদ কৰা হৈছে আৰু মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁক উচ্ছেদ কৰা হোৱা নাই। এই বিষয়টো মন্ত্ৰী মহোদয়ে ধিতং ভাবে তদন্ত কৰাৰ ব্যৱস্হা কৰিবনে কি ?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই জনাত মানুহজনক তাৰ পৰা উচ্ছেদ কৰা নাই। আমাৰ মাননীয় সদস্য কেইগৰাকীয়ে যিহেতু কথাটোত ইমান গুৰুত্ব দিছে সেয়ে মই এইটো অনুসন্ধান কৰাৰ ব্যৱস্হা কৰিম।

## Re : Quality Control

Shri ALTAF HOSSAIN MAJUMDAR asked :

*148. Will the Minister, Irrigation be pleased to state—

(a) The Functions of Quality Control in the Department?

(b) Is it a fact that Quality Control is headed by an officer of the rank of Superintending Engineer?

Shri ZAHIRUL ISLAM (Minister, Irrigation) replied:

148. (a) The Function of the Inspection and Quality Control is for qualitative and quantitative examination and evaluation of works and also Vigilence enquiry as assigned with.

(b) Yes.

Shri ALTAF HOSSAIN MAZUMDAR—Mr. Speaker, Sir, from experience it is found that Superintending Engineer is ineffective in quality control because he has to enquire against even senior officers. Senior Officer or high ranking officer may be more effective in quality control. Will the Hon'ble Minister please ask the Superior Officer to head this Quality Control Cell and also to state whether he would agree to the point that I have suggested?

Shri ZEHIRUL ISLAM (Minister Irrigation)—Sir, I agree that the post should be upgraded. For creation of the post, proposal should be cleared by the P & D Department. P and D Department have cleared the proposal on 9th August, 1984. After a lapse of about three months, the proposal for up-grading the post of Superintending Engineer, Quality Control has been rejected by the Personnel Department without assigning any reason. They have intimated that the proposal is not justified. In fact, they have suggested for creation of one extra post of Superintending Engineer, Inspection and Quality Control. We could not agree to the views expressed by the Personnel Department.

Shri ALTAF HOSSAIN MAZUMDAR—Sir, how the Personnel Department could reject the proposal since Minister feels it necessary for upgradation of the post? Will the Hon'ble Minister kindly take up the matter with the Chief Minister who is also in-charge of the Personnel Department to get the proposal cleared?

Shri ZEHIRUL ISLAM—(Minister, Irrigation) Sir, I have already taken up the matter with the Chief Minister.

বি ঃ ধুবুৰীৰ ই, এচ, আই ডিচপেনচাৰীৰ যন্ত্ৰপাতি।

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*১৪৯। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধুবুৰী ই, এচ, আই ডিচপেনচেৰীত ১। থাৰ্মোমিটাৰ ২। ব্লাড প্ৰেচাৰ ইনষ্ট্ৰুমেণ্ট ৩। কৰ্মচাৰী সকলৰ বহিবলৈ চকি মেজ ৪। ষ্টৰৰ বাবে থকা গড্‌ৰেজ আলমিৰা নোহোৱা কথা চৰকাৰে জানেনে?

(খ) যদি জানে, তেনেহলে এইবোৰ আহিলা-পাতি দিয়া হোৱা নাছিল নেকি?

(গ) যদি দিয়া হৈছিল বৰ্ত্তমানে কিয় ব্যৱহাৰত নাই জনাবনে?

(ঘ) প্ৰয়াত শ্ৰীমতী গান্ধীৰ (প্ৰধান মন্ত্ৰী) মৃত্যু ঘোষিত বন্ধৰ দিনাখন কৰ্মচাৰী সকলক চিক্‌নেচ্‌ চাৰ্টিফিকেট দি টকা লোৱা ক্ষেত্ৰত ধুবুৰী ই, এচ, আই ডাক্তৰৰ ভূমিকা জানেনে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৪৯। (ক)—চৰকাৰৰ হাতত থকা তথ্যমতে ধুবুৰী ই, এচ, আই ডিচপেনচেৰীত ১ থাৰ্মোমিটাৰ ২। ব্লাড প্ৰেচাৰ ইনষ্ট্ৰুমেণ্ট ৩। কৰ্মচাৰী সকলৰ বহিবলৈ চকি মেজ ৪। ষ্টৰৰ বাবে গড্‌ৰেজ আলমিৰা আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) সকলো বিলাক ব্যৱহাৰত আছে।

(ঘ) এই বিষয়ে চৰকাৰে এতিয়াও কোনো অভিযোগ পোৱা নাই।

## Re : Dolgoma Gaon Panchayat.

Shri MOHAMMAD ALI asked :

*150. Will the Minister, Cooperation be pleased to state—

(a) The financial position of the Dolgoma Gaon Panchayat level Samabai Samity?

(b) When the new committee was constituted?

(c) Whether the Dolgoma Samabai Samity has got the financial capacity to lift allotted quota of rice and sugar?

(d) Whether Secretary or President of the Samabai Samity is involved in misappropriation of the fund of samity ?

Shri UPENDRA DAS (Minister, Cooperation) replied :

150. (a)—The financial position of the Dolgoma Gaon Panchayat Samabai Samity as on 28th February 1985 as per provisional account shows accumulated loss of Rs. 23,990,62. A statement showing provisional detailed position is placed on the Table of the House.

(b)—No new Committee has been formed. One Government Officer was appointed on 4th February, 1985 to manage the society's affairs on expiry of the term of earlier ad-hoc committee and to hold A.G.M.

(c)—Not at present.

(d)—Yes.

শ্ৰীমহম্মদ আলম : মাননীয় অধ্যক্ষ মহোদয়, দলগোমা গাওঁ পঞ্চায়ত সমবায় সমিতি খনৰ ২৩,৯৯০,৬২ টকা লোকচান বুলি কৈছে। প্ৰায় ২৪ হেজাৰ টকা লোকচান হোৱা বুলি কৈছে। এই টকা খিনি লোকচান হোৱাৰ কাৰণে কোন কোন দায়ী মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই গাওঁ পঞ্চায়ত সমবায় সমিতিখন যিবোৰ মানুহে মেনেজ কৰে তেওঁলোকৰ কিছুমান মেনেজমেণ্টৰ খেলিমেলিৰ কাৰণেই এই লোকচান ভৰিব লগা হয়। মেনেজমেণ্টৰ কিছুমান বিষয় বৰীয়াই গ্ৰেণ্ট আদি দিয়াৰ ক্ষেত্ৰত নীতি নিয়ম মানি নচলাৰ কাৰণে এনেকুৱা হৈছে।

Shri HASANUDDIN AHMED.—Will the Hon'ble Minister please tell the House the names of the persons ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে চছাইটি মেনেজমেণ্ট যিয়ে কৰে তাত কেইজনমান চেক্ৰেটৰী থাকে আৰু ধৰা পৰিছে। কেইজনমান ব্যক্তিয়ে চছাইটিটো বেয়া কৰিছে। ৰিপ'ৰ্টট মতে দেখা যায় কেইজনমান ব্যক্তিয়ে মেনেজমেণ্টৰ জৰিয়তে ধাৰ ঋণ দি চছাইটিৰ টকা অপব্যৱহাৰ কৰিছে। গতিকে তেওঁলোকক একচন লোৱা হৈছে আৰু যাতে টকা আদায় হয় তাৰ ব্যৱস্হা কৰা হৈছে।

শ্ৰীহাশানুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, যি ব্যক্তিৰ কথা কৈছে, মন্ত্ৰী মহোদয়ে নামবোৰ জনাব নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নামবোৰ হল, শ্ৰীমনোৰঞ্জন দাস, এক্স চেক্ৰেটাৰী, শ্ৰীঅশ্বিনী কুমাৰ দাস, এক্স মেম্বাৰ, শ্ৰীৰমজান আলী, এক্স চৌকিদাৰ, শ্ৰীতাফিলুদ্দিন আহমেদ, মেম্বাৰ, খিতীশ চন্দ্ৰ চাউদ, এক্স চেয়াৰমেন, শ্ৰীমধু দাস, মেম্বাৰ, শ্ৰীভগবান দাস, এক্স চেক্ৰেটাৰী, শ্ৰীবীৰেণ কাৰ্কতি, চেক্ৰেটাৰী (ইউ এচ) শ্ৰীমানিকুদ্দিন আহমেদ, এক্স মেম্বাৰ। এইবিলাক বিভিন্ন শিতানত বহুত টকা তেওঁলোকে নোহোৱা কৰিছিল। সেই টকা ঘূৰাই নিদিয়াৰ কাৰণে এতিয়া কেচ কৰা হৈছে।

শ্ৰীমহম্মদ আলীঃ মাননীয় অধ্যক্ষ মহোদয়, এই চেক্ৰেটাৰী বিলাকে প্ৰায় আঠ হেজাৰ পাচ শ টকা লৈ যায়। কথাটো মন্ত্ৰী মহোদয়ে জানে নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, ৰিপোৰ্ট মতে দেখা যায় চেক্ৰেটাৰী, ভাইচ চেয়াৰমেন একেলগে আছে। এইবিলাক টকা বাকী কৰি নিলে নে কি কৰি নিলে মই নেজানো। কিন্তু টকা বিলাক ৰিকোভাৰী কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

Shri HASANUDDIN AHMED .—Sir, whether the Secretary is a cadre based Secretary ? If so, what action has been taken by the Government against him ?

Shri UPENDRA DAS (Minister) .—He has been suspended.

Shri BARKATULLA .—Sir, from the statement of the Hon'ble Minister it, prima facie, appears that money has been misappropriated. If so, why the Government has not filed a criminal case ?

Shri UPENDRA DAS (Minister).—Sir, it is difficult to say at this moment whether it is misappropriation or whether they have taken loan. It is a business and the money is taken for business or any article is taken and they do not pay the price of the article or return the money then it is not a case of falsification or misappropriation.

Shri HASANUDDIN AHMED .—Whether it is a fact that the Secretary himself was involve in such misappropriation not to speak of other elected persons ? I pointedly ask the question whether the Secretary himself was involved ?

Shri UPENDRA DAS (Minister).—He is under suspension and enquiry is going on.

বি ঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

শ্ৰীললিত চন্দ্ৰ বড়োৱে সুধিছে ঃ

*১৫১। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সপ্তম পৰিকল্পনাত কিমানখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পাতিবলৈ চৰকাৰে সিদ্ধান্ত কৰিছে ?

(খ) নলবাৰী মহকুমাৰ অন্তৰ্গত উদ্পলীয়া বাগানপাৰা ৰাজ্যিক চিকিৎসালয়খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হবনে ?

(গ) Sub-Centre বোৰত কিমান জন কৰ্মচাৰী নিয়োগ কৰা হয় আৰু সিহঁতৰ কৰ্ত্তব্য কি?

ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৫১। (ক)২০০ (দুশ) খন।

(খ) এতিয়াও তেনে কোনো সিদ্ধান্ত লোৱা নাই।

(গ) এজন A.N.M. আৰু এজন পুৰুষ বহুমুখী কৰ্ম্মী। লগতে এগৰাকী মহিলা পৰিচাৰিকাও থাকে। তেওঁলোকে প্ৰাথমিক স্বাস্থ্য সংক্ৰান্ত বিষয়ত কাম-কাজ কৰে।

শ্ৰীমথুৰা ডেকা ঃ এই বহুমুখী শব্দটোৰ অৰ্থ আমি বুজা নাই, মন্ত্ৰী মহোদয়ে বুজাই দিবনে?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ বহুমুখী মানে এটা কাম নহয়, বহুত কাম। চাহ চেন্তাৰ বিলাকত তেওঁলোক থাকে যদিও তেওঁলোকে ঘৰলৈ গৈও খাখবৰ লয়, কাৰোবাৰ গৰ্ভৱতী নাৰী থাকিলে আইৰণ টেবলেট দিয়ে প্ৰসূতিক বুজাই দিয়ে আৰু কাৰোবাক প্ৰয়োজন হলে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ডাক্তৰৰ দ্বাৰা পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিয়ে গতিকে তেওঁলোকৰ বহুত কাম।

শ্ৰীমথুৰা ডেকা ঃ তেওঁলোকে অপাৰেচনও কৰে নেকি?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ অপাৰেচন নকৰে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ এই বহুমুখী কৰ্ম্মী সকলৰ শিক্ষাগত অৰ্হতা কিমান মন্ত্ৰী মহোদয়ে জনাবনে?

ডা ঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ পুৰুষ কৰ্ম্মী সকল মেট্ৰিকুলেট হব লাগে। ফিমেল হলে জেনেৰেলৰ মেট্ৰিকুলেট আৰু ট্ৰাইবেল চিদউল হলে আন্দাৰ মেট্ৰিক হলেও হয়।

শ্ৰীঅলিত চন্দ্ৰ বড়ো ঃ উদলগুৰীয়া বাগানপাৰা ৰাজ্যিক চিকিৎসালয়খন অহা পঞ্চম পৰিকল্পনাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ কথা আছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে?

ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ এতিয়ালৈকে তেনে কোনো সিদ্ধান্ত হোৱা নাই।

শ্ৰীঅলিত চন্দ্ৰ বড়ো ঃ মন্ত্ৰী মহোদয়ে চাব চেন্টাৰ বিলাকত তিনিজন কৰ্ম্মচাৰী দিয়াৰ কথা কৈছে কিন্তু চাব চেন্টাৰ বিলাকৰ ঘৰেই নাই তেওঁলোকে ক'ত থাকি কাম কৰিব?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ চাব চেন্টাৰ যিবিলাকৰ নিজাকৈ ঘৰ নাই, তেওঁলোকৰ ঘৰভাৰা লোৱাৰ ব্যৱস্থা আছে। বছৰত তেওঁলোকক এহেজাৰ টকাকৈ ঘৰভাৰা বাবদ দিয়া হয়। যদি ক'ৰবাত ঘৰ নাই আমাৰ মাননীয় সদস্য সকলে নিজা নিজাকৈ ঘৰ যোগাৰ কৰি দিব পাৰে।

Shri HASANUDDIN AHMED.—Mr. Speaker, Sir, there are many gaon panchayats where there is no primary health centre. Will the hon'ble Minister be pleased to give assurance that preference will be given to establish primary health centres in those G. Ps?

Dr. BHUMIDHAR BARMAN (Minister) .—That will be considered, Sir.

শ্ৰীৰমেশ ফকন : স্বাস্থ্য উপকেন্দ্ৰ বিলাকলৈ সপ্তাহত ডাক্তৰ কেইদিন যাব লাগে মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : স্বাস্থ্য উপকেন্দ্ৰলৈ ডাক্তৰ সপ্তাহত দুবাৰকৈ যাবলৈ আমাৰ নিৰ্দ্দেশ দিয়া আছে।

শ্ৰীৰমেশ ফুকন : নিৰ্দ্দেশ দিয়া আছে আমি জানিলো। কিন্তু আমি জনাত মাহৰ পিচত মাহ ধৰি স্বাস্থ্য উপকেন্দ্ৰবোৰলৈ ডাক্তৰ নাযায়। যদি এই কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰা হয় তেনেহলে শাস্তি দিয়া ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) মাননীয় সদস্যই জনালে ব্যৱস্থা লম।

শ্ৰীচিলভিয়াচ কন্দপান : স্বাস্থ্য উপকেন্দ্ৰ বিলাকৰ বহুমুখী কৰ্ম্মীৰ নিয়োগৰ ক্ষেত্ৰত ট্ৰাইবেল বাচিদিউলৰ শিক্ষাগত অৰ্হতাৰ ৰিলাক্সেচন আছে বুলি কৈছে চাহবাগানৰ ক্ষেত্ৰতো ৰিলাক্সেচনৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : সেইটো আমি চাম।

শ্ৰীৰমেশ ফুকন : অধ্যক্ষ মহোদয়, এই স্বাস্থ্য উপকেন্দ্ৰ বিলাক ২ বছৰ পৰ্য্যন্ত মোৰ সমষ্টিতে ভাৰাঘৰত আছে। কিন্তু আমি জনাত গড়কাপ্তানী বিভাগক টকা দিয়াও আছে। যদি গড়কাপ্তানী বিভাগে সেই টকা খৰছ কৰি গৃহ নিৰ্ম্মাণ কৰিব নোৱাৰে তেনেহলে সেই টকা স্বাস্থ্য বিভাগক ঘুৰাই দিয়ক আৰু স্বাস্থ্য বিভাগে নিজাকৈ ঘৰ নিৰ্ম্মাণ কৰক। তাৰ কাৰণে গড়কাপ্তানী বিভাগক হেচা দিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : আমি কামত তেওঁলোকক হেচা দি আছো আৰু ভবিষ্যতেও দি থাকিম।

শ্ৰীবৰকটউল্লা : মন্ত্ৰী মহোদয়ে ৭ ম পৰিকল্পনাত যিবিলাক প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰ কৰিম বুলি কৈছে সেই বিলাক সমষ্টিৰ ভিত্তিত লোৱা হবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : যিবিলাক অঞ্চলত স্বাস্থ্যৰ সুবিধা নাই সেই বিলাকত নিশ্চয় গুৰুত্ব দিম।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ : ইতিমধ্যে যিবিলাক স্বাস্থ্য উপকেন্দ্ৰ স্বাস্থ্য কেন্দ্ৰলৈ উন্নত কৰা হৈছে তাত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিছেনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : আপগ্ৰেদ কৰাৰ লগে লগে সেই প্ৰস্তাৱ আমি বিত্ত বিভাগলৈ পঠাও আৰু বিত্ত বিভাগৰ অনুমোদন পালেই নিয়োগ কৰাৰ ব্যৱস্থা কৰা হয়।

শ্ৰীমথুৰা ডেকা : স্বাস্থ্য উপকেন্দ্ৰত সপ্তাহত দুদিন ডাক্তৰ যায় বুলি কৈছে কমলপুৰত এদিনো যোৱা নাই।

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : আমি আজিয়ে নিৰ্দ্দেশ দিম যাতে তাত ডাক্তৰ যায়।

Starred Question No. 152 not put member being absent Starred Question No. 153.

Shri ZAHIRUL ISLAM (Minister).—Sir, I request you to defer the question.

Mr. SPEAKER.—It is deferred.

বি: বিজুলী যোগান।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*১৫৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৫ চনৰ ভিতৰত সমগ্ৰ অসমত বিজুলী যোগান ধৰাৰ বাবে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পাৰিবনে ?

(খ) বিজুলী বাতি ঘনাই নুমাই থকা ব্যৱস্থা কেতিয়া আঁতৰ হব জনাবনে ?

(গ) বিজুলী বাতি ঘনাই বন্ধ হোৱাৰ কাৰণ দৰ্শাব পাৰেনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৫৪। (ক) ১৯৮৫ চনৰ ভিতৰত সমগ্ৰ অসমত বিজুলী যোগান ধৰাৰ বাবে কোনো ধৰণৰ প্ৰতিশ্ৰুতি দিয়া হোৱা নাই।

(খ) কিছুমান কাৰিকৰী আৰু আকস্মিক কাৰণত বিজুলী সৰবৰাহৰ বিজুতি ঘটে। এনে বিজুতি হ্ৰাস কৰাৰ বাবে সকলো ধৰণৰ চেষ্টা কৰা হয়।

(গ) বিজুলী যোগান সচৰাচৰ বন্ধ হোৱাৰ বিভিন্ন কাৰণ আছে। সেইবোৰৰ কিছুমান তলত উল্লেখ কৰা হল।

১। কাৰিকৰী কাৰণত বিদ্যুৎ কেন্দ্ৰ বিলাকৰ পৰা বিজুলী উৎপাদন যদি পৰ্য্যাপ্ত নহয়।

২। আন্তঃ ৰাজ্যিক অথবা আঞ্চলিক বিদ্যুৎ যোগান উৎস বিলাকৰ পৰা পোৱা বিদ্যুৎৰ পৰিমাণ যদি পৰ্য্যাপ্ত নহয়।

৩। উচ্চ ভল্টেজ সম্পন্ন গ্ৰাহন লাইন বিলাকত ঘটা বিজুটি।

৪। ধুমুহা বতাহ আদিৰ বাবে প্ৰবহন আৰু বিতৰণ লাইন বিলাকত গছ-গছনি আদি পৰাৰ ফলত ঘটা বিজুতি।

৫। অসৎ লোকৰ দ্বাৰা লাইনৰ সামগ্ৰী আদি চুৰি।

৬। প্ৰবহন আৰু বিতৰণ লাইন বিলাকত অসৎ লোকে ইচ্ছাকৃত ভাৱে শিল, বাঁহ, লো আদি দলিওৱাৰ ফলত হোৱা বিজুতি।

৭। গ্ৰাহক বিলাকৰ প্ৰতিস্থানত থকা ক্ৰুটি বিচ্যুতি।

৮। প্ৰাকৃতিক দুৰ্যোগ ইত্যাদি।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, যোৱাবাৰ সদনত আমাৰ মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল যে ১৯৮৫ চনৰ ভিতৰত গোটেই অসমৰ ভিতৰত গাঁৱে-ভুঁৱে বিজুলি শক্তি যোগান ধৰিব পাৰিব। প্ৰচিডিংটো মোৰ হাতত নাই। মাননীয় সদস্য সকলে শুনা নাই যদিও কব নোৱাৰো, শুনাত ভুলও হব পাৰে। মন্ত্ৰী মহোদয়ে জনাব নে সেই প্ৰতিশ্ৰুতি কি হ'ল ?

শ্ৰীআব্দুল মহিব মজুমদাৰ (শক্তি মন্ত্ৰী) : তেখেতৰ ভুল হোৱা বুলি ভাবো। মই তেনে কোনো প্ৰতিশ্ৰুতি দিয়া নাই। মই কৈছিলো আমাৰ নতুন চৰকাৰ গঠন হোৱাৰ পাচত আমি ঘোষণা কৰিছিলো যে ৫ বছৰৰ ভিতৰত অসমৰ গাঁৱে-ভুঁৱে বিজুলি যোগান ধৰিব পাৰিম। সেই হিচাপে প্ৰত্যেক বছৰে গাওঁ বিলাকত বিজুলি যোগান ধৰি থকা হৈছে। ১৯৮৫ চনৰ ভিতৰত ২১ হাজাৰ ৯৯৮ খন গাঁওত বিজুলি যোগান ধৰা সম্ভৱপৰ নহয় বা সেইটো পলিচিও নহয়। ক্ৰমে ক্ৰমে পাচ বছৰত কৰা হব।

শ্ৰীচিলভিয়াচ কন্দপান : পাচ বছৰৰ ভিতৰত অসমৰ গাঁও বিলাকত বিজুলি যোগান ধৰা হব বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিছাৰিছো যে অসমত এনে বহুত গাওঁ আছে য'ত বিজুলি যোগান ধৰা হোৱা নাই অথচ ৰিৰ্পোটত বিজুলি যোগান ধৰা হোৱা বুলি দেখুৱাইছে ?

শ্ৰীআব্দুল মহিব মজুমদাৰ (মন্ত্ৰী) : আচলতে যদি তেনেকুৱা কিবা কাম কৰিছে বা আমাৰ ৰিৰ্পোটত আহিছে তেখেতে জনালে সেইমতে ব্যৱস্থা লম।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিছাৰিছো তেখেতে আমালৈ একোখন চিঠি লিখিছিল যে আমাৰ সমষ্টিৰ কিমান কেইখন গাওঁত বিজুলি যোগান লাগে বা এক্সপানচন কৰিব লাগে তাৰ আঁচনি মন্ত্ৰী মহোদয়ে আমাৰ পৰা বিছাৰিছিল তাৰ ওপৰত কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীআব্দুল মহিব মজুমদাৰ (মন্ত্ৰী) : হয় আমাৰ ফালৰ পৰা তেনেকুৱা গাওঁ বিলাকৰ নাম বিছাৰিছিলো আৰু গোটেই গাওঁ বিলাকৰ নাম লৈ এখন আঁচনি কৰি আমি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছো অনুমোদনৰ কাৰণে অনুমোদন পালেই কাম আৰম্ভ কৰিম।

শ্ৰীচিলভিয়াচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, মাজবাটৰ ৰৌতা গাওঁ পঞ্চায়তৰ অন্তৰ্গত মৰা ধনশিৰি গাঁৱত পাচ বছৰৰ আগতে বিজুলী যোগান দিয়া বুলি অফিছে জনাইছে। কিন্তু দিয়া নাই। কিন্তুমাননীয় মন্ত্ৰী মহোদয়ে যিহেতু তেনেকুৱা গাঁৱৰ নাম দিবলৈ কৈছে, সেই কাৰণেই মই আনুষ্ঠানিক ভাৱে এই গাওঁ খনৰ নাম দিছো, তেখেতে তদন্ত কৰি চাবনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰ) : মাননীয় অধ্যক্ষ মহোদয়, মই নিশ্চয় চাম।

শ্ৰীপূৰ্ণ বৰো : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, অহা পাচ বছৰৰ ভিতৰত অসমৰ সকলো বিলাক গাঁৱকে বৈদ্যুতিকৰণ কৰা হব। মাননীয় অধ্যক্ষ মহোদয়ক সুধিব খুজিছো, অসমত বিদ্যুত উৎপাদন পৰ্য্যাপ্ত আছে নেকি আৰু যদি আছে তেনেহলে, কিমান 'মেগাৱট' আছে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিদ্যুৎ পৰিস্থিতিৰ সম্পৰ্কত মই সিদিনা বাজেট বিতৰ্কত কৈছোৱেই। তথাপিও মাননীয় সদস্য জনে যেতিয়া জানিব বিছাৰিছে মই তাৰ এটা আভাষ দিব খুজিছো। গ্ৰাম্য বৈদ্যুতিকৰণৰ কাৰণে যি বিজুলী শক্তিৰ প্ৰয়োজন হব সেইটো আমাৰ আছে। তাৰোপৰি, বিজুলী উৎপাদনৰ কাৰণে আমাৰ যি বিলাক 'প্ৰজেক্ট' আছে সেই

বিলাক যিমান পাৰি সোনকালেই কৰিবৰ কাৰণে মই ব্যৱস্হা কৰি আছো। সেই ‘প্ৰজেক্ট’ বিলাক সম্পূৰ্ণ হলে অসমত পৰ্য্যাপ্ত বিজুলী শক্তি উৎপাদিত হব। এই সংক্ৰান্তত যিটো পজিচন আছে সেইটো মই জনাব খুজিছো, —

NTPS :—5 units installed at Namrup Power Station Unit No.—I—23 MW, Unit—II—23 MW, Unit—III—23 MW and Unit No.—IV—12.5 MW. LTPS has 45 MW. Out of the 3 units one is supposed to remain as stand by according to the project sanctioned. So, normally we are to obtain theoritically a total of 28-30 MW from this power station with two units. CTPS :—At present the single unit (1×30 MW) CTPS station is under operation taking full load during peak load and off peak oad hours. BTPS :—Both the units have been tried to be synchronised together. This could be possible for some time and generated upto a maximum of 95 MW. The main problem of continuous generating from BTPS is malfunctioning of the coal mills which are under renovation by M/s BHEL. Namrup Waste Heat Project (1×22 MW) :—this project is targetted for commissioning in March 1985.

তাৰোপৰি, মাননীয় সদস্য সকলে বোধকৰো জানেই যে, শিলঙৰ পৰা, কপিলিৰ পৰা আৰু লগটকৰ পৰাও বিজুলী অনাৰ ব্যৱস্হা আছে। এন, ই, চিৰ বিদ্যুৎ পৰিষদৰ জৰিয়কে কোন খন ৰাজ্যত কিমান বিজুলীৰ প্ৰয়োজন আছে সেই মতে দিয়াৰ ব্যৱস্হা আছে। ‘এক্সপেৰিমেণ্টেল বেচিছত’ কিছুমান কাম চলি আছে। শিবলঙত পানীকমি আহিলে, বিদ্যুৎ উৎপাদন কমি আহে। সেই কাৰণে অলপ ফলাকচুৱেট’ কৰে। নামৰূপত ২২ মেগাৱাটৰ কাৰণে ব্যৱস্হা কৰা হৈছে। যোৱা ২৫ মাৰ্চত দিয়া হৈছে। সোনকালেই বিজুলীৰ বন্দবস্তি কৰা হব। সেই কাৰণেই অধ্যক্ষ মহোদয়, ওপৰত উল্লেখ কৰা তথ্যপাতি বিলাকৰ পৰা এইটোকে কব পাৰো যে, গ্ৰাম্য বৈদ্যুতিকৰণৰ কাৰণে যি বিলাক আঁচনি লোৱা হৈছে সেই বিলাকৰ কাৰণে পৰ্য্যাপ্ত পৰিমাণৰ বিজুলী আছে।

শ্ৰীৰমেশ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, গাওঁ বিলাক বৈদ্যুতিকৰণৰ ক্ষেত্ৰত কিবা নিৰ্দ্দিষ্ট সীমা বা দূৰত্ব আছে নেকি ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ বিভিন্ন গাঁৱৰ দূৰত্ব বেলেগ বেলেগ ধৰণৰ হব পাৰে। সেইমতেই খুটা আদি পোতাৰ ক্ষেত্ৰতো দূৰত্বৰ প্ৰশ্ন আহিব পাৰে। অসমত গ্ৰাম্যবৈদ্যুতিকৰণৰ ব্যৱস্হা ‘ৰেভিনিউ ভিলেজ’ অনুপাতে কৰা হল। তাৰ কাৰণে যিমান খুটাৰ প্ৰয়োজন হব সিমানেই দিয়া হব। টকাৰ অনুমোদনৰ ওপৰতেই দূৰত্বও নিৰ্ভৰ কৰিব। সেইমতে কোনো জেগাত নটা, পাচটা, বা দৰ্কাৰ হলে ৩০ টা খুটাও দিব পৰা হব। টকা আৰু আঁচনিৰ ওপৰতে সকলো নিৰ্ভৰ কৰিব।

Shri ALTAF HOSSAIN MAZUMDAR.—Mr. Speaker Sir, the allegation is that the Electricity Department has shown that some villages as electrified. But as a matter of fact, these were not electrified. Last year myself and the Sonai MLA have been given a list showing that at least 20 villages have been electrified. But actually these

were not electrified. So, my request to the Hon'ble Minister is that he will please direct his Department to give all the MLAs a list of Villages so far electrified constituencys-wise so that we can verify them and see for ourselves where the villages have actually been electrified.

Shri ABDUL MUHIB MAZUMDER (Minister).—Sir, I remember to have had a meeting at Silchar where my friend, Mr. Mazumdar and also some other MLAs were present and in the meeting all these questions were raised. Then I took up the matter with the Officers present and asked them to look into it. I fully appreciate the concern of the Hon'ble members and I also feel a little embarassed when the report comes to the effect that there are some villages showing as electrified but in fact these were not electrified. This sort of report is very discouraging and tells on the honesty of the Officers of the Department. I accept the suggestion of the Hon'ble member Shri Mazumder. Immediately after the Session, I will write to all the MLAs including the Ministers to give us the list of villages so far electrified in their areas and on receipt of the information from all the MLAs we can convene a meeting and sort out the differences.

Shri ALTAF HOSSAIN MAZUMDAR .—Sir, I suppose the Hon'ble Minister has missed my point. I said let the Department send us a list showing the villages electrified. Then we will verify the list given by the Department and tell the Minister whether there is any discrepancy.

Shri ABDUL MUHIB MAZUMDAR (Minister).—Sir, the question is that certain villages have been shown as electrified but in fact these were not. That is the point also raised by the Hon'ble Member Shri Condpan and it is in this context I gave the reply. Now, Hon'ble Member Shri Mazumdar wants the names of the villages constituency-wise, then I will ask for the report constituency-wise.

Shri ALTAF HOSSAIN MAZUMDAR .—My suggestion in the question is very simple. I would request the Hon'ble Minister kindly to direct his Department to give a list to all the MLAs constiutency-wise showing the villages that had been already electrified. Then we will verify the list and come to the Minister if there is any discrepancy.

Shri ABDUL MUHIB MAZUMDAR (Minister).—Sir, is it wise to send the MLAs for investigation ? What I am saying is that our Circle Officers are not located constitutency-wise and if we are to go by constituency-wise it will take a lot of time. It would be easier for the MLAs to give us a list showing the villages in his constituency which are said to have been electrified but actually these were not electrified. But if I am to give the list of villages I can do so Thana-wise. Then the Hon'ble Member will have to find out if that Thana falls within his Constituency.

Shri HASAN UDDIN AHMED :—Sir, to stop theft, pilferage peoples' representatives cooperation is very much necessary. But, Sir, we find that the local officers of the department do not feel it necessary to cooperate with the representatives. I personally meet the local Executive Engineer and other concerned officers on several occassions for this purpose but I found that they did not feel it necessary to maintain co-operation or liaison with the public representatives. Even I find that they did not feel it necessary to show the minimum courtesy to the public representatives. In view of this, may I request the Hon'ble Minister to instruct the officers in the field to maintain close liaison with the public representatives ?

Shri ABDUL MUHIB MAZUMDAR (Minister) .—Sir, I fully agree with the suggestion of the Hon'ble Member. Not only that the official should have close co-operation with the public representatives but we are going to constitute District and Subdivisional level committees where the Hon'ble Members of this House will be included and I may assure the Hon'ble Member that with the constitution of the committee there will be close liaison between the officials and the public representatives.

Mr. SPEAKER .—I think according to rules no more supplementaries can be allowed on this question. Now, Question No. 155.

বি ঃ গৃহ নিৰ্ম্মাণৰ বাবে কাঠ ।

শ্ৰীমহম্মদ আলীয়ে সুধিছে ঃ

* ১৫৫। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এইটো সচাঁনে যে, গোৱালপাৰা জিলাৰ প্ৰকল্প সঞ্চালক আৰু মাটিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াই এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি, আচঁনিত যোগান ধৰা কাঠবোৰ গৃহ নিৰ্ম্মাণৰ অনুপযোগী ?

(খ) যদি নহয়, তেন্তে তেওঁলোকে যোগান ধৰা কাঠ সমূহৰ নাম কি ?

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৫৫। (ক) সচাঁ নহয়।

(খ) শাল, গামাৰি, মাকৰি, ছাম, কঠাল, চন্দ্ৰি আদি কাঠ।

শ্ৰীমহম্মদ আলী : অধ্যক্ষ মহোদয়, এই কাঠবোৰ লোৱাৰ আগতে প্ৰজেক্ট ডিৰেক্টৰ আৰু বি, ডি, অ', য়ে বন বিভাগৰ বন বিষয়াৰ লগত আলোচনা কৰি কোন কোন কাঠ নিৰ্ম্মাণৰ কাৰণে উপযোগী তেনে কিবা পৰামৰ্শ লৈছিল নে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীৰঘুনাথ পামে গাম (গ্ৰাম্য উন্নয়ন মন্ত্ৰী) : চাৰ যিবিলাক কাঠৰ নাম উল্লেখ কৰা হৈছে সেই বিলাক বন বিভাগৰ মতে এ আৰু বি কেটাগৰিৰ কাঠ বুলি কোৱা হৈছে। বন বিভাগৰ পৰা টি-আৰ-এন। ৬৩।৮৪।২, তাং ২০-১০-৮২ আৰু তাৰ পিচত ১৯৮৪-৮৫ চনৰ গড়কাপ্তানী বিভাগৰ যিটো চিডিউল কিতাপ আছে সেই কিতাপতো আছে সেই একে কেটাগৰিৰ বুলি অন্তৰ্ভূক্ত কৰা আছে।

শ্ৰীমহম্মদ আলী : শাল মাকৰি আদি কাঠ ব্যৱহাৰ কৰা হৈছে কিন্তু গমাৰি গোৱালপাৰা আৰু মেঘালয়ত পাবলৈ নাই। এইটো চাপ্লাই কৰা সচাঁ নহয়। কঠাল ঘৰুৱা কাঠ এইটো চাপ্লাই কৰাও সম্ভৱ নহয়। এইটো চন্দ্ৰি কাঠ বাটামৰ কাৰণে ব্যৱহাৰ কৰা নহয় কিয়নো বি কেটাগৰিৰ বাটামৰ কাৰণে ব্যৱহাৰ কৰা হয় সোণাৰি আদি কাঠ ব্যৱহাৰ কৰা নহয় সেইটো মন্ত্ৰী মহোদয়ে জানেনে ? মাকৰি শাল আৰু চন্দ্ৰি বাটামৰ কাৰণে ব্যৱহাৰ কৰিছে এইটো মন্ত্ৰী মহোদয়ে তদন্ত কৰি চাব নেকি ?

শ্ৰীৰঘুনাথ পামে গাম (গ্ৰাম্য উন্নয়ণ মন্ত্ৰী) : তদন্ত কৰাৰ প্ৰশ্ন নউঠে। এ আৰু বি কেটাগৰিৰ কাঠ যিটো যেনেকৈ ব্যৱহাৰ যোগ সেইমতে কৰা হৈছে।

শ্ৰীমহম্মদ আলী : ইতিমধ্যে কিছুমান কাঠ ঘুণে ধৰিছে আৰু লং জিভিটি নাইকীয়া হৈছে অহাদুবছৰৰ ভিতৰতে ভাঙি পৰিব সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীৰঘুনাথ পামে গাম (গ্ৰাম্য উন্নয়ণ মন্ত্ৰী) : তদন্ত কিবা নকৰিলেও মাননীয় সদস্য গৰাকীয়ে যেতিয়া উদ্বেগ প্ৰকাশ কৰিছে সেইটো চোৱা হব।

শ্ৰীললিত চন্দ্ৰ বড়ো : এ আৰু বি কেটাগৰিত কোন কোন কাঠ পৰে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰঘুনাথ পামে গাম (গ্ৰাম্য উন্নয়ণ মন্ত্ৰী) : সকলো বিলাক কাঠৰ কথা কব নোৱাৰো। শাল, গমাৰি, মাকৰি শাল, চন্দ্ৰি এই বিলাক এ আৰু বি কেটাগৰিত পৰে বুলি কৈছে।

শ্ৰীমধুৰা ডেকা : যিবোৰ কাঠ ঘৰটোত লগোৱা বুলি কৈছে এতিয়ালৈকে ঘৰটো আছে নে নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰঘুনাথ পামে গাম (গ্ৰাম্য উন্নয়ণ মন্ত্ৰী) : বৰ্ত্তমান ১৯৮৪-৮৫ চনৰ কামৰ অধীনত এই কাম কৰি থকা হৈছে।

বি : ফুট পাথ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ১৫৬। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী চহৰৰ আলি বাটৰ দুয়ো কাষৰ লক্ষ লক্ষ টকা খৰচ কৰি বনোৱা ফুট পাথ বোৰ ব্যৱহাৰ কৰাৰ বাবে ভাড়ালৈ দিছে নেকি?

(খ) যদি ভাড়া দিছে মাহিলি কেনে বন্দবস্তত দিছে জনাবনে?

(গ) গুৱাহাটী চহৰৰ ভিতৰত আলিবাটৰ কাষৰ ময়লাৰ দমবোৰ আঁতৰ কৰাৰ দায়িত্ব নিগমৰ হয়নে?

(ঘ) যদি হয়, পৰিষ্কাৰ কৰা নহয় কিয় জনাবনে?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৫৬। (ক) তেনে কোনো 'ফুট পাথ' গুৱাহাটী পৌৰ নিগমে ভাড়ালৈ দিয়া নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) হয়।

(ঘ) নিতৌ এই জাবৰ বোৰ আতৰ কৰা হয়। গুৱাহাটী মহানগৰীত নিতৌ যিমান জাবৰ ওলায় তাৰ বাবে অতি কমেও দিনে ৮০ ট্ৰাকতকৈও অধিক জাবৰ নগৰৰ পৰা আতৰাব লাগে। জাবৰৰ মাত্ৰা অনুযায়ী ট্ৰাকৰ সংখ্যা বৰ কম। অতিকমেও এই চাফাই কামৰ বাবে ৩০ খন ট্ৰাকৰ আৱশ্যক। কিন্তু পৌৰ নিগমৰ জাবৰ উঠোৱাৰ বাবে মাথো ১৬ খনহে ট্ৰাক আছে। ইয়াৰে দুই এখন ট্ৰাকৰ মাজে মাজে খিজুটি ঘটাৰ বাবে নগৰৰ বিস্তৃত এলেকা কিছুমানৰ পৰা নিতৌ জাবৰ আঁতৰোৱা কাম হৈ নুঠে। মহানগৰীৰ বিস্তৃত এলেকাৰ তুলনাত ১৬ খন ট্ৰাহ যৎসামান্য। তাৰোপৰি পথৰ কাষৰ জাবৰ ৰাতিপুৱা আতৰোৱাৰ পাচত পুনৰ পথৰ কাষত নগৰৰ বাসিন্দা সকলে পেলাই দিয়ে যাৰ ফলত ৰাস্তাৰ কাষৰ জাবৰ কোনো সময়তে সম্পূৰ্ণ ভাবে আতৰাব পৰা নহয়। পৌৰ নিগমৰ আৰ্থিক অৱস্থাৰ উন্নতি হলে আৰু অধিক ট্ৰাক কিনাৰ প্ৰস্তাৱ আছে। তেতিয়া জাবৰ জোঠৰ আতৰোৱা কামৰ উন্নতি ঘটিব।

শ্ৰীমথুৰা ডেকা : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ফাচী বজাৰ আৰু শুক্লেশ্বৰ ঘাটত ফুটপাথত বহা ফুলবেচা লোকসকলে আৰু সন্নাসী সকলে কিবা ভাৰা দিয়ে নিদিয়ে?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) : চাৰ, এইটো মই সদনত উত্তৰ দিছোৱেই।

শ্ৰীচিলভিয়াচ কন্দপান : গুৱাহাটী চহৰৰ ফুটপাথত বহুত ফুটা আছে তাত মানুহ পৰি জখম হৈছে কষ্ট পাইছে এইটো পৌৰ বিভাগে জানে নে নাজানে যদি জানে এই ফুটপাথ বিলাকৰ ফুটা বন্ধ কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী)ঃ কৰা হব।

শ্ৰীজগত পাটগিৰিঃ এই জাবৰ জোঠৰ ব্ৰহ্মপুত্ৰ নদীত পেলায় নে ক'ত পেলায় জনাব নে?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী)ঃ ডাম্পিং প্লেচত পেলোৱা হয়।

Shri HASSANUDDIN AHMED .—In every district and subdivision there is shortage or no vehicles to remove the night soil. Will the Government provide vehicles to all towns?

Shri SADHAN RANJAN SARKAR (Minister) .—It is a separate question.

Re : Consumption of Energy by India Carbon Ltd.

Shri HARENDRA NATH TALUKDAR asked :

*157. Will the Minister, Power be pleased to state—

(a) The total Industrial Energy Unit consumed by the India Carbon Ltd. Noonmati, in the Years :

(i) 1981-82

(ii) 1982-83

(iii) 1983-84

(iv) 1984-85

(b) Whether the Electricity duty has been paid regularly in the Years mentioned above?

(c) If not, the balance amount unpaid for each Year since 1981-82?

(d) What was the Industrial Energy Unit consumed by India Carbon Ltd. Noonmati in the year :

(i) 1971-72

(ii) 1972-73

(iii) 1973-74

(iv) 1974–75

Shri ABDUL MUHIB MAZUMDAR (Minister, Power) replied :

157. (a)—

(i) 1057860 Units

(ii) 1391602 "

(iii) 1104540 "

(iv) 1301075 " upto Feb.'85.

(b)—Yes.

(c)—Does not arise.

(d) –

(i) 984900 Units

(ii) 933500 "

(iii) 928200 "

(iv) 758600 "

Shri HARENDRA NATH TALUKDAR .—The Minister has replied to (a) (ii) that the total industrial energy unit consumed by the India Carbon Limited during 1982-83 is 1391602 units. May I know from the Hon'ble Minister why there was increase in 1982-83 ?

Shri ABDUL MUHIB MAJUMDAR (Minister) :—The increase may be for various reasons. India Carban is good payer and they are paying the charges regularly. If a separate question is given I can answer it collecting the details of the matter.

Shri HARENDRA NATH TALUKDAR .—My question is why there is increase in the Unit consumption ?

Shri ABDUL MUHIB MAJUMDAR (Minister) .—I must confess that the answer is not based on record. If I am given time, I can get the details.

Shri HARENDRA NATH TALUKDAR :—The information can be given later on.

Shri ABDUL MUHIB MAJUMDAR (Minister) .—I will, Sir.

শ্ৰীৰমেশ ফুকন : অধ্যক্ষ মহোদয়, বিদ্যুৎ যোগানৰ ক্ষেত্ৰত, যিবিলাক অনুস্থান আছে সেই-বিলাকত বিদ্যুৎ বিভাগৰ হেমাহীৰ কাৰণে কেতিয়াবা বিদ্যুৎ যোগান দিব নোৱাৰে। তাৰ কাৰণে এই অনুস্থান বিলাকৰ যি ক্ষতি হয়, সেই ক্ষতি পূৰণ দিয়াৰ কিবা ব্যৱস্থা আছে নেকি ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিশেষ কিবা বিজুতিৰ কাৰণে হয়তো কেতিয়াবা বিদ্যুৎ যোগান ধৰিব পৰা নোৱাৰিব পাৰে, তাৰ কাৰণে মই ভাবো ক্ষতিপূৰণ দিয়াৰ কোনো ব্যৱস্থা নাই।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, আমাৰ ঘৰ বিলাকত যিবিলাক মিটাৰ ৰিডিং থাকে, সেই বিলাক ৰিডিং লোৱাৰ পাচত এমাহৰ কাৰণে বন্ধ কৰি থয় আৰু ৰিডিং লোৱাৰ আগে আগে খুলি দিয়ে। এনেকুৱা ব্যৱস্থা যে চলি আছে, সেইটো মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেইটো বিষয়ে মই শুনিছো, কিন্তু আপোনাৰ ঘৰতেই কৰিলে কোনে চাব যাব ?

## MISCELLANEOUS

### Mr. SPEAKER—Mr. Mukut Sarma to give a statement.

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটোত প্ৰশাসনীয় অসুবিধা আছিল সেই কাৰণে বৰ্ত্তমান যি ডি-পি-আইৰ কাৰ্য্যালয় আছে সেই ডি-পি-আইৰ কাৰ্য্যালয়টো দুটা পাথক্য সঞ্চালকালয় পৰিবৰ্ত্তন কৰিব বিচাৰিছে । অহা এক এপ্ৰিলৰ পৰা এই কাম কৰিম । ইয়াৰে এটা সঞ্চালকালয়ৰ অধীনত চেকেণ্ডাৰি এডুকেশ্বন আৰু আনটোৰ অধীনত হায়াৰ এডুকেশ্বন লোৱা হব। মুঠতে তিনিটা ডিৰেক্টৰেট হবগৈ । বৰ্ত্তমান থকাৰ উপৰিও এটা এলিমেণ্টাৰি এডুকেশ্বন ডাইৰেক্টৰিয়েট, এটা চেকেণ্ডাৰি এডুকেশ্বন অ ৰু আনটো হায়াৰ এডুকেশ্বন ডাইৰেক্টৰিয়েট হব । এইখিনি কথা সদনৰ জ্ঞাতাৰ্থে জনালো । আমি শিক্ষা বিভাগৰ অধীনত ট্ৰেইনিং প্ৰশাসন আৰু গৱেষণাৰ কাৰণে এচ-চি-আৰ-টি ইয়াত গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— মই এটা স্পষ্টীকৰণ বিছাৰিছো । এই যে তিনিটা ডাইৰেক্টৰিয়েট হৈছে তাত চোচিয়েল আৰু এডুকেশ্বন আৰু এডাল্ট এডুকেশ্বন কত থাকিব ।

শ্ৰীমুকুট শৰ্ম্মা, (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, লাইব্ৰেৰীটো চোচিয়েল এডুকেশ্বনৰ আনডাৰত কিন্তু এডাল্ট এডুকেশ্বন আৰু চোচিয়েল এডুকেশ্বনটো বৰ্ত্তমান একেলগ হৈছে ।

শ্ৰীমথুৰা ডেকা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, ননফৰমেল এডুকেশ্বনটো থাকিবনে নাথাকে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— ডিৰেক্টৰ এডুকেশ্বনৰ আনডাৰত ননফৰমেল এডুকেশ্বনটো থাকিব ।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে,ডিৰেক্টৰ পাৱলিক ইনষ্ট্ৰাকচন থাকিব নে নাথাকে ?

শ্ৰীমন্নকুট শৰ্ম্মা (মন্ত্ৰী) :— এতিয়া ডিৰেক্টৰ পাবলিক ইনষ্ট্ৰাকচন পোষ্টটো নাথাকে ।

শ্ৰীঅলিত চন্দ্ৰ বড়ো :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, আমাৰ ট্ৰাইবেলৰ কাৰণে কি ব্যৱস্থা থাকিব ? ইয়াৰ কাৰণে বেলেগ ডাইৰেক্টৰেট থাকিব নে নাথাকে ?

শ্ৰীমন্নকুট শৰ্ম্মা (মন্ত্ৰী) :— বৰ্ত্তমান জইন ডাইৰেক্টৰেটৰ অন্দাৰত আছে । পাচত আলোচনা কৰি বিবেচনা কৰিম।

শ্ৰীমধুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, এইযে চেকেণ্ডাৰী ডাইৰেক্টৰেট বেলেগ, হাইয়াৰ এডুকেচনৰ কাৰণে বেলেগ ডাইৰেক্টৰেট হব, তাৰ কাৰণ কিমান টকা ব্যয় হব সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমন্নকুট শৰ্ম্মা (মন্ত্ৰী) :— সেইটো এতিয়া জনাব নোৱাৰিম ।

Mr. SPEAKER: Now item No. 2

## CALLING ATTENTION

**Shri HEMEN DAS—Sir, I beg to call the attention of the Minister, Agriculture under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Dainik Janambhumi' dated 24th February, 1985 under the caption "মাষ্টাৰৰোল কৰ্ম্মীক কৰ্ম্মচ্যুত"।**

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, দৈনিক জনমভূমি কাকতত প্ৰকাশিত "মাষ্টাৰৰোল কৰ্ম্মীক কৰ্মচ্যুত" শীৰ্ষক সংবাদটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। অসম কৃষি বিশ্ব বিদ্যালয়ৰ পৰা সংগ্ৰহীত তথ্যৰ ওপৰত ভিত্তি কৰি সদনৰ জ্ঞাতাৰ্থে দিয়া হ'ল।

কৃষি বিশ্ব বিদ্যালয়ৰ কৃষি পাম আৰু পশু পামত ৫০০ ৰ পৰা ৭০০ জন "মাষ্টাৰৰোল" কৰ্ম্মীয়ে কাম কৰে। যোৰহাট, তিতাবৰ আৰু বৰুৱালিকচন পামৰ ৩৪২ জন মাষ্টাৰৰোল কৰ্মীৰ ভিতৰত ২৯০ জন কৰ্মীয়ে ৪।২।৮৫ ৰ পৰা ৫।২।৮৫ আৰু ৯।২।৮৫ ৰ পৰা ৪।৩।৮৫ লৈ কামত যোগ দিয়া নাছিল।

কৃষি বিশ্ব বিদ্যালয়ৰ ১৭ খন কৃষি পামত (গোটেই অসমতে) মাষ্টাৰৰোল কৰ্মীয়ে কাম কৰে।

কৃষি বিশ্ব বিদ্যালয়ৰ মাষ্টাৰৰোল কৰ্মীৰ বৰ্ত্তমান দৈনিক মজুৰি ৮ টকাৰ পৰা ১০ টকালৈ। বৰ্ত্তমান শ্ৰম বিভাগে এই মজুৰিটো ১২.৫০ টকালৈ বৃদ্ধি কৰিছে। ২৪।১।৮৫ তাৰিখে যোৰহাট কেম্পাচৰ মাষ্টাৰৰোল কৰ্মীয়ে তেওঁলোকৰ দৈনিক মজুৰি গড়কাপ্তানী বিভাগৰ মাষ্টাৰৰোল কৰ্মীৰ দৈনিক মজুৰিৰ (১৪ টকাৰ পৰা ১৬ টকালৈ) লগত সমান কৰি দিবলৈ অনুৰোধ কৰিছিল। ৪।২।৮৫ তাৰিখে আৰু এখন চিঠিৰে বিশ্ব বিদ্যালয় অৰ্থবিতিক জনাই দিছিলে যে তেওঁলোকৰ দাবী পূৰণ নকৰিলে তেওঁলোকে ৪।২।৮৫ তাৰিখৰ পৰা কৰ্মৰ পৰা বিৰত থাকিব। বিশ্ব বিদ্যালয়ে তেওঁলোকক জনাইছিল যে চৰকাৰে মাষ্টাৰৰোল কৰ্মীৰ মজুৰি বঢ়ালে তেওঁলোকেও মাষ্টাৰৰোল কৰ্মীৰ মজুৰি বঢ়াব। কিন্তু সেই কথা নামানি কিছুমান মাষ্টাৰৰোল কৰ্মীয়ে ৪।২।৮৫ ৰ পৰা ৫।২।৮৫ তাৰিখলৈ আৰু ৯।২।৮৫ তাৰিখৰ পৰা ৪।৩।৮৫ তাৰিখলৈ কামৰ পৰা বিৰত থাকে। বিশ্ব বিদ্যালয়ে বাধ্য হৈ বৰ্ত্তমান ষ্ট্ৰাইক কৰা মাষ্টাৰৰোল কৰ্মীক কামৰ পৰা আতৰাই দিয়ে। অৱশেষত ৪।৩।৮৫ তাৰিখে কৃষি বিশ্ব বিদ্যালয়ে সকলো খিনি মাষ্টাৰৰোল কৰ্মীকে কামত নিযুক্তি দিয়ে।

শ্ৰীহেমেন দাস ঃ— চাৰ, মই এইবিষয়ে আন এটা কথা জানিবলৈ বিচাৰিছো। আমাৰ শ্ৰম বিভাগে সময়ে সময়ে বিভিন্ন শ্ৰেণীৰ মজদুৰি বিশেষকৈ কৃষি মজদুৰৰ মজদুৰি পৰিবৰ্ত্তন কৰি আছে। এতিয়া বিশ্ববিদ্যালয়ে এই শ্ৰমিক সকলক এতিয়ালৈকে ৮ টকা মজদুৰি দি শ্ৰমিক আইন ভঙ্গ কৰিছে। তেনে ক্ষেত্ৰত এতিয়া বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হব?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, বোৰ্ড অব মেনেজমেণ্টৰ সিদ্ধান্ত অনুসৰি এইটো নিৰিখ কৰা হৈছে।

শ্ৰীহেমেন দাস ঃ— নিৰিখ কৰে শ্ৰম বিভাগে। মই নিজেই জানো শ্ৰম বিভাগে এটা কেচ ইনিচিয়েট কৰি কৃষি বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে দাখিল কৰিব পাৰে। শ্ৰম আইন ভঙ্গ কৰাৰ কাৰণে জৰিমনা কৰিব পাৰে এই কথাটো বিশ্ববিদ্যালয়ে জানেনে নেজানে?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ— শ্ৰম বিভাগে কি কৰে সেইটো বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষই নাজানিবও পাৰে।

শ্ৰীহেমেন দাস ঃ—

শ্ৰম আইন অনুসৰি শ্ৰমিকক ন্যায্য মজদুৰি দিবই লাগিব আৰু যদি নিদিয়ে শ্ৰম মন্ত্ৰীয়ে নিজেই এইটো কেচ ইনিচিয়েট কৰিব পাৰে। এই কথা মাননীয় কৃষি মন্ত্ৰীয়ে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষক জনাবনে?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ—বিশ্ববিদ্যালয়ৰ যিখিনি মাষ্টাৰৰোল কৰ্ম্মচাৰী আছে মাজে মাজে তেওঁলোক বিতাৰিত হৈ থাকে। বৰ্ত্তমান সময়ত ১৫ টকা ১৬ টকা বিচাৰিছে। শ্ৰম বিভাগেও এই হিচাবটোৰেই নিৰিখ কৰিছে।

শ্ৰীপূৰ্ণ বড়ো ঃ— মাষ্টাৰ ৰোল কৰ্ম্মচাৰী সকলক নিম্নতম মজদুৰি খিনিও দিয়া নাই আৰু এই নিম্নতম মজদুৰিখিনি দিয়াৰ কাৰণে কৰ্ম্মচ্যুত কৰা হৈছে। নিম্নতম মজদুৰিও নিদিব আৰু আন্দোলন কৰিলেও কৰ্ম্মচ্যুত কৰি থাকিব। এতিয়া সেই সকল কৰ্ম্মচ্যুত কৰ্ম্মচাৰী সকলক অকৌ চাকৰিত নিয়োগ কৰিব নেকি?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ— বিশ্ববিদ্যালয়ত যিটো আৰ্থিক অৱস্থা সেইটো চৰকাৰৰ অনুদানৰ ওপৰত নিৰ্ভৰ কৰে আৰু সেই অনুদানৰ মতেই কৰ্মী নিয়োগ কৰিব লাগে। বিশ্ববিদ্যালয়ে প্ৰথমতে বঢ়োৱা নাছিল। তেওঁলোকৰ যিটো সীমাবদ্ধ আৰ্থিক অৱস্থা সেই অৱস্থাৰ মাজেৰে ৰাখিবলৈ বিচাৰিছিল কিন্তু তেওঁলোকৰ মজদুৰি বঢ়াব লগীয়া হোৱাত আৰু তেওঁলোকৰ নিজা আৰ্থিক অৱস্থালৈ চাই লগে লগে চাটাই কৰিব লগীয়া হয়।

Mr. SPEAKER—Now item No. 3 Shri Ramesh Phukan

## MATTER UNDER RULE 301

শ্ৰীৰমেশ ফুকন ঃ— মাননীয় অধ্যক্ষ মহোদয় অসম পঞ্চায়ত কৰ্ম্মচাৰী সংস্থাৰ তৰফৰ পৰা পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ সচিবলৈ তেওঁলোকৰ দাবী পূৰণৰ বাবে অহা ১ এপ্ৰিলৰ পৰা বিধান সভাৰ সম্মুখত পাচজনীয় প্ৰতিনিধি দলে অনশন কৰা সম্পৰ্কে যোৱা ১৮।৩।৮৫ তাৰিখে এক জাননী দিয়া হৈছে আৰু এই জাননীৰ নকল অসম বিধান সভাৰ সকলো বিধায়কলৈ দিছে। বৰ্ত্তমান পৰিস্থিতিত পঞ্চায়তৰ কৰ্মী সকলৰ দুৰৱস্থাৰ কথা আমি সকলোৱে উপলব্ধি কৰিছো আৰু তেওঁলোকে এনে এটা কাৰণতেই আন্দোলন পথটো লবলৈ বাধ্য হৈছে আৰু তেওঁলোকক এই আন্দোলন কৰাবলৈ ঠেলি দিয়া হৈছে যেন লাগিছে। কিয়নো তেওঁলোকে দিয়া জাননীত দেখা গৈছে তেওঁলোকে এই আন্দোলন কৰিছে

অৰ্থনৈতিক আন্দোলন, জীয়াই থকাৰ আৰু নিৰাপত্তাৰ কাৰণে আন্দোলন। এই কৰ্মচাৰী সকলৰ প্ৰতি বিধান সভাত সকলোৰে সহানুভূতি থকা উচিত কিয়নো গ্ৰামোন্নয়নৰ ক্ষেত্ৰত এই কৰ্মচাৰী সকল এক অপৰিহাৰ্য্য অংগ। চৰকাৰৰ কাৰ্য্যসূচীত একেবাৰে তলৰ পৰাই গুৰি ধৰোতা হ'ল এই পঞ্চায়তৰ কৰ্মচাৰী সকল। আমি জানিবলৈ পাইছো ১৯৭৪ চনৰ চাৰ্কুলাৰ মতে যেতিয়া ষ্টাফিং পেটাৰ্ন হৈছিল আৰু সেইখন ১৯৭৪ চনৰ ১৫ মাৰ্চ তাৰিখে ডেপুটি চেক্ৰেটাৰীয়ে সকলো বিভাগলৈ পঠাইছিল। তাত স্পষ্ট ভাবে মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়তৰ ষ্টাফ কিমান হব সেই বিষয়ে উল্লেখ আছে।

## MAHKUMA PARISHAD

| | | | |
|---|---|---|---|
| a. | Head Assistant | ... ... | 1 |
| b. | Accountant | ... ... | 1 |
| c. | U. D. Assistant | ... ... | 2 |
| d. | L. D. Assistant | ... .. | 4 |
| e. | Tax Supervisor | ... ... | 2 |
| f. | Duftry | ... ... | 1 |
| g. | Peons | ... ... | 5 |
| h. | Chowkidar | ... .... | 1 |

## GAON PANCHAYAT

| | | | |
|---|---|---|---|
| a. | Gaon Panchayat Secretary | ... | 1 |
| b. | Office Assistant | ... | 1 |
| c. | Mohurrir | ... | 1 |
| d. | Tax Collector | ... | 2 |
| e. | Chowkidar | ... | 1 |
| f. | Peon | ... | 1 |

তাৰ পাচত হঠাতে এই চাৰ্কুলাৰখন কেন্সেল কৰি ১৯৭৪ চনৰ ২৯ এপ্ৰিলত কে, চি, মজুমদাৰৰ পৰা বেলেগ নিৰ্দ্দেশ দিলে।

(Letter No. PDA. 178/80/227, dated 29th March' 1984) from K. C. Majumdar, Secretary, Panchayat & C D.

"I am directed to say that after careful consideration, Government have decided to withdraw the Government circular issued vide this Department No. PDA. 178/80/201, dated 14th December 1982 regarding payment of basic pay only to the Gaon Panchayat employees provided the Gaon Panchayat staff be restricted to three employees only, i. e. (1) One Secretary, (2) One office Assistant-cum-Tax Collector, (3) One Peon-cum-Chowkidar of the Gaon Panchayat office and as such the Post of Road Muhorer, Tax Collectors and One Grade IV employee of each Gaon Panchayat stand abolished."

প্ৰতিখন গাওঁ পঞ্চায়তৰ পৰা ৩ জনকৈ কৰ্ম্মচাৰীক হঠাৎ চাকৰিৰ পৰা বৰখাস্ত কৰা হ'ল। এই ব্যৱস্থা হোৱাৰ পাচত আমি সমষ্টিলৈ যাব নোৱাৰা হলো। সেই পৰিয়ালৰ মানুহ বিলাকে আমাক ঘেৰাও কৰিছিল আৰু এইটো বিষয় লৈ মই বিধান সভাত উত্থাপনও কৰিছিলো আৰু তেতিয়াই এই বিষয়ে কৰ্ম্মচাৰী পৰিষদৰ লগত আলোচনাও হৈছিল। আৰু চৰকাৰে প্ৰতিশ্ৰুতি দিছিল। এইটো শুভ লক্ষণ যে পঞ্চায়ত কৰ্ম্মচাৰী পৰিষদে চৰকাৰৰ লগত সহযোগীতা কৰিলে তেওঁলোকৰ গোটেই চাকৰি বিলাক চৰকাৰীকৰণ কৰা হওক বুলি পৰামৰ্শ দিলে। এইটো কৰিলে গোটেই অসমত ৪ হাজাৰ ৭ শ ২২ জন কৰ্ম্মচাৰীক চৰকাৰীকৰণ কৰা হলহেতেন আৰু ইয়াৰ কাৰণে অতিৰিক্ত ৪০ লাখ টকা ৰাজহৰ পৰা গলহেতেন। যিহেতু এই কৰ্ম্মচাৰী সকলে বহুদিনৰ পৰাই গাওঁ উন্নয়নৰ ক্ষেত্ৰত অপৰিহাৰ্য্য অংগ হিচাবে কাম কৰি আহিছে তেওঁলোকৰ দাবীটো সহানুভূতিৰে বিবেচনা কৰিব বুলি আশা ৰাখিলো। লগতে মই এইটো আশা ৰাখিলো চৰকাৰে প্ৰতিশ্ৰুতি দিলে পঞ্চায়ত কৰ্ম্মচাৰী সকলে অনশন ধৰ্ম্মঘটৰ যি জাননী দিছিল সেইটো প্ৰত্যাহাৰ কৰিব।

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়ত কৰ্মচাৰী সকল চৰকাৰী কৰ্মচাৰী নহয়। অসম পঞ্চায়তী ৰাইজ আইনৰ ৩০ ধাৰা মতে মহকুমা পৰিষদে তেওঁলোকক নিযুক্তি দিয়ে। তেওঁলোকৰ দৰমহা আদি দিয়াৰ দায়িত্ব মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়তৰ। পঞ্চায়ত সমূহৰ নিজৰ উপাৰ্জন যথেষ্ট নহয় কাৰণে তেওঁলোকৰ বিভিন্ন কাম-কাজ চলাবৰ বাবে চৰকাৰে পঞ্চায়ত সমূহক আৰ্থিক মঞ্জুৰি দিয়ে। এই খিনিতে উল্লেখ কৰিব পাৰি যে চলিত বিত্তীয় বছৰত পঞ্চায়ত সমূহক মুঠ ৪,০২,৯৭,২৭৭.৫০ টকা সাহাৰ্য্য হিচাপে দিয়া হয়।

১৯৭২ চনৰ অসম পঞ্চায়ত আইন অনুযায়ী আঞ্চলিক পঞ্চায়ত সমূহ উঠাই দিয়া হয়। আঞ্চলিক পঞ্চায়ত সমূহৰ কৰ্মচাৰী সকলক পঞ্চায়ত আইনৰ ১৫৮ (জি) ধাৰামতে অন্যান্য পঞ্চায়ত অন্তৰ্গত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হয়। সেই অনুযায়ী উক্ত কৰ্মচাৰী সকলক বিভিন্ন পঞ্চায়ত সমূহৰ যোগ্যতা অনুসাৰে নিযুক্তি দিয়া হয়।

ইতিমধ্যে ভালেমান গাওঁ পঞ্চায়তৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰে। তেওঁলোকে কৰ্মচাৰী সকলক দৰমহা আদি দিবলৈ অপাৰগ হয় আৰু চৰকাৰৰ ওচৰত কৰ্মচাৰীক দৰমহা দিবলৈ অৰ্থমঞ্জুৰি বিচাৰে। কিন্তু চৰকাৰৰ পক্ষে এনে অৰ্থ মঞ্জুৰি সম্ভৱপৰ নহয়। চৰকাৰৰ ১৪।১২।৮২ তাৰিখৰ চাৰ্কুলাৰৰ দ্বাৰা মহকুমা পৰিষদৰ মুখ্য প্ৰশাসক সকলক পৰামৰ্শ দিয়ে যে যিহেতু তেওঁলোকৰ আৰ্থিক অৱস্থা ভাল নহয় তেওঁলোকে কৰ্মচাৰী সকলৰ মাত্ৰ বেচিক পে হে দিয়ক। ইয়াৰ পিচত চৰকাৰৰ ২৯।৩।৮৪ তাৰিখৰ চাৰ্কুলাৰৰ দ্বাৰা উক্ত ১৪।১২।৮২ তাৰিখৰ চাৰ্কুলাৰখন উঠাই লোৱা হয়। আৰু পঞ্চায়তৰ শোচনীয় আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি গাওঁ পঞ্চায়তত মাত্ৰ ৩ জন কৰ্মচাৰীহে ৰাখিবৰ বাবে পৰামৰ্শ দিয়া হয়। কিন্তু লগতে এইটোও জনোৱা হয় যে যিবিলাক গাওঁ পঞ্চায়তৰ আৰ্থিক অৱস্থা ভাল তেওঁলোকে ৩ জনতকৈয়ো বেচি কৰ্মচাৰী ৰাখিলেও চৰকাৰৰ কোনো আপত্তি নাই।

ইয়াৰ দ্বাৰা স্পষ্ট হব যে পঞ্চায়ত কৰ্মচাৰী দৰমহা হ্ৰাস কৰণ আৰু মাত্ৰ বেচিক পে দিয়া সম্পৰ্কে চৰকাৰে কোনো নিৰ্দেশ দিয়া নাছিল— মাত্ৰ পৰামৰ্শহে দিছিল আৰু পিচত ইয়াৰ স্পষ্টীকৰণো দিয়া হৈছে। এইটো কথা পুনৰ উল্লেখ কৰিব পাৰি যে পঞ্চায়ত কৰ্মচাৰী সকলৰ বাকী থকা বেতন দিয়া সম্পৰ্কে চৰকাৰৰ কোনো দায়িত্ব নাই।

গাওঁ পঞ্চায়ত কৰ্মচাৰী সকলৰ চৰকাৰীকৰণ সম্পৰ্কে যোৱা ২২।৩।৮৫ তাৰিখে সদনত আলোচনা হৈছিল। চৰকাৰৰ ফালৰ পৰা এইটো স্পষ্ট কৰি দিয়া হৈছিল যে পঞ্চায়ত কৰ্মচাৰী সকলৰ চাকৰি চৰকাৰী-কৰণ কৰাটো পঞ্চায়তৰ মূলনীতি বিৰোধী হব।

মন্ত্ৰী সভাই উক্ত বিষয়টো আলোচনা কৰি বিত্ত মন্ত্ৰী, জলসিঞ্চন মন্ত্ৰী আৰু পঞ্চায়ত আৰু সমূহীয়া উন্নয়নৰ মন্ত্ৰীক লৈ এখন উপ-সমিতি পাতি দিছে। এই উপ-সমিতিয়ে বিষয়টো পৰ্য্যালোচনা কৰি আছে। যথাসময়ত সিদ্ধান্ত দিয়া হব।

এই খিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে পঞ্চায়ত কৰ্মচাৰীয়ে চৰকাৰৰ সিদ্ধান্তৰ বিৰোধীতা কৰি উচ্চ ন্যায়ালয়ত এটা গোচৰ তৰিছে। এই গোচৰ বৰ্ত্তমান বিচাৰাধীন হৈ আছে।

মঠতে পঞ্চায়ত কৰ্মচাৰী সকলৰ অভাৱ-অভিযোগ দূৰীকৰণৰ প্ৰতি চৰকাৰ সহানুভূতিশীল। মই আশা কৰো কৰ্মচাৰী সকলে অনশনৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিব আৰু চৰকাৰৰ লগত আলোচনাৰ যোগেদি তেখেত সকলৰ সমস্যা সমাধান কৰিব।

শ্ৰীহেমেন দাস :— চাৰ, এটা স্পষ্টীকৰণ, বক্তৃতা প্ৰসংগত মই কৈছিলো যে এইবিলাক চৰকাৰী কৰ্মচাৰী নহয়। তেওঁলোকক চৰকাৰী ঘোষণামতে বা নিৰ্দ্দেশ দি কেনেকৈ চাকৰিৰ পৰা বিতাৰিত কৰিব পাৰে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— কোনো নিৰ্দ্দেশ দিয়া নাই। পৰামৰ্শহে আৰ্থিক অৱস্থালৈ চাই আগবঢ়াইছে।

শ্ৰীহাচানুদ্দিন আহমেদ :— গাওঁ পঞ্চায়তৰ কৰ্মচাৰী সকলৰ প্ৰতি চৰকাৰৰ যদি দায়িত্বই নাই কেনেকৈ ১৯৭৪ চনত চৰকাৰে ষ্টাফিং পেটাৰ্ণ দিলে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই পঞ্চায়তে নিযুক্তি দিলে। ১৯৮৪ চনত কেনেকৈ এই পেটাৰ্ণটো উইথড্ৰ কৰিলে। তাৰ ফলত যিখিনি টকাৰ প্ৰয়োজন হব এই টকাখিনি খৰচ কৰিবলৈ পঞ্চায়তৰ জৰিয়তে বিকেন্দ্ৰীকৰণ কৰিব লাগিব গতিকে এই কৰ্মচাৰী সকলৰ প্ৰতি সহানুভূতি সহকাৰে বিবেচনা কৰিবলৈ মই অনুৰোধ কৰিলো।

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— মাননীয় সদস্যৰ লগত মই একমত। পঞ্চায়তৰ কৰ্মচাৰী সকলৰ প্ৰতি আমাৰ সহানুভূতি আছে। মই ভাবো এটা আলোচনাৰ যোগেদি এই কথাখিনি নিস্পত্তি কৰিব পৰা হব।

শ্ৰীপূৰ্ণ বড়ো :— পঞ্চায়ত এক্টত এই ষ্টাফিং পেটাৰ্ণৰ কথা আছে। পঞ্চায়তৰ আৰ্থিক অৱস্থা জনাই ৭ জন পঞ্চায়ত কৰ্মী ৰাখিব পাৰে পৰামৰ্শ আগবঢ়াইছিল। এতিয়া এই পঞ্চায়ত সমূহলৈ আৰ্থিক সাহাৰ্য্য বৃদ্ধি কৰি এই কৰ্মচাৰী সমূহক ৰাখিবৰ কাৰণে বিবেচনা কৰিব নেকি ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— ইতিমধ্যে যিবিলাক গাওঁ পঞ্চায়তৰ আৰ্থিক অৱস্থা ভাল সেই সকলক অধিক কৰ্মচাৰী ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে। এই ব্যৱস্থাৰ ওপৰত গুৰুত্ব সহকাৰে বিবেচনা কৰিয়েই এখন কেবিনেট চাব কমিটি গঠন কৰি দিয়া হৈছে যাতে কৰ্মচাৰী সকলৰ সুবিধা অসুবিধা চাব পাৰি। এই কমিটিত বিত্ত মন্ত্ৰী, পঞ্চায়ত মন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰী আছে। মই আশা কৰো ইয়াৰ দ্বাৰা কৰ্মচাৰী সকলৰ বহুখিনি অসুবিধা দূৰ কৰা হব।

শ্ৰীমথুৰা ডেকা :— ১৯৫২ চনতেই গাওঁ পঞ্চায়ত গঠন হৈছিল আৰু তেতিয়া গাওঁ পঞ্চায়তে এজন চেক্ৰেটাৰী আৰু চকীদাৰ পাইছিল। যেতিয়া আঞ্চলিক পঞ্চায়ত হল আৰু মহকুমা পৰিষদ হল এই নিয়ম কানুন বিলাক সময়ে সময়ে সলনি হৈ আছে। কাজেই যিবিলাক কৰ্মচাৰী আগতেই নিয়োগ হৈছিল সেই সকলেই বেছি ভাগ কাম কৰি আছে। তাৰে কোনোবাই অৱসৰ পালে কোনোবাই হয়তো অৱসৰ পাবলৈ কেইমাহ মানহে আছে মাত্ৰ ষ্টাফিং পেটাৰ্ণটোহে চেঞ্জ হৈছে। এই বিলাক পুৰণা কৰ্মচাৰী, কিছুমান বয়সৰ মাধ্যমত অৱসৰ পাইছে আৰু কিছুমানৰ চাকৰি কাল বৰ বেছি দিন নাই। এই দৰ্মহাৰ ব্যৱধান কিছুমানৰ ৪০—৪৫—৬০ মাহ হব। আমি গান্ধীৰ আদৰ্শত আৰ্চনি লৈছো। এইখিনি কৰিলে গান্ধীৰ প্ৰতি শ্ৰদ্ধা জনোৱা হব। গতিকে ইয়াৰ এটা মীমাংসা কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :— গাওঁ পঞ্চায়তৰ কৰ্ম্মচাৰী সকলো আগৰ নহয়। নতুন কৰ্মচাৰী নিয়োগ কৰা হৈছে যিখিনিত চৰকাৰৰ আপত্তি আছে। গাওঁ পঞ্চায়ত গঠন কৰাত গাওঁ পঞ্চয়ত বিলাকে নিয়োগ কৰিছে। তথাপি কৈছো যে চৰকাৰ কৰ্মচাৰী সকলৰ প্ৰতি খুব সহানুভূতিশীল। চৰকাৰে গুৰুত্ব বুজি ইতিমধ্যে কেবিনেট চাব কমিটি গঠন কৰিছে আৰু তাত বিত্ত মন্ত্ৰী স্বয়ং আছে।

শ্ৰীমধুৰা ডেকা :— কেবিনেট চাব কমিটি হোৱাত ভাল পাইছো। কল্যাণকামী চৰকাৰে মাণ্টাৰ ৰুলৰ চাকৰি কনৰ্ফাম কৰাৰ চেষ্টা কৰিছে। এই পঞ্চায়ত কৰ্মচাৰী সকলে বহু বছৰ সেৱা আগবঢ়োৱাৰ পিছত চাকৰি চৰকাৰীকৰণ কৰা নাই। চৰকাৰৰ দায়িত্ব নাই বুলি কলে ভাল হব বুলি নাভাবো। কেবিনেট চাব কমিটিয়ে আন্তৰিকতাৰে বিবেচনা কৰি এই লোকৰ চাকৰি চৰকাৰীকৰণ কৰিব।

শ্ৰীজোহিৰুল ইছলমাম (মন্ত্ৰী) :— ইয়াৰ উত্তৰ দিছো।

শ্ৰীবৰকট উল্লা :— চাব কমিটিৰ ৰিপোৰ্ট চাবমিট নোহোৱালৈকে এই কৰ্মচাৰী সকলৰ দুখ দুৰ্গতিৰ প্ৰতি লক্ষ্য ৰাখি বাৰ্ষিক মঞ্জুৰী কিছু বৃদ্ধি কৰাৰ কাৰণে বিবেচনা কৰিবনে ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :— বিবেচনা কৰিব।

শ্ৰীৰমেশ ফুকন :— মন্ত্ৰী মহোদয়ে কৈছে এৰিয়াৰ কথা নাই। ৯।১২।৮৩ তাৰিখে কৰ্মচাৰী পৰিষদৰ লগত চৰকাৰৰ আলোচনা হৈছিল। মাইনুটচত স্পষ্ট আছে। যিসকলক ইয়াৰ পৰা চাকৰিৰ পৰা আতৰোৱা হব, সেই সকলক অন্যান্য উন্নয়নমুখী যি বিভাগ আছে তাত নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব। মন্ত্ৰী মহোদয়ে কলে যে চৰকাৰীকৰণৰ আৰ্চনি নাই। এতিয়া দেখিছো সেই সময়ত বেলেগ চৰকাৰ আছিল মন্ত্ৰীৰ লগত আলোচনা হওঁতে আশ্বাস দিছিল যে গোটেই কথাটো চালিজাৰি চাব। ব্লক পৰ্য্যায়ৰ এই কৰ্মচাৰী সকলে এন, আৰ, ই, পি, আৰ, এল, জি, পি, আদি আৰ্চনিত ৪০ লাখ টকা খৰচ কৰি কাম কৰিছে। এনে ক্ষেত্ৰত চাকৰি চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত বাধা থাকিব পাৰে বুলি নাভাবো। মন্ত্ৰীয়ে কৈছে যে গোটেই বিষয়টো চালিজাৰি চাব। ইয়াৰ আগতে বিভাগীয় সচিব সকলৰ ফালৰ পৰা তেওঁলোকৰ লগত আলোচনা হওঁতে কি প্ৰতিশ্ৰুতি দিয়া হৈছিল তাৰ ভিত্তিত বিধান সভাৰ সন্মুখত অনশন কৰাৰ আগত আলোচনা কৰিলে ভাল হয়। চৰকাৰীকৰণ আৰু এৰিয়াৰ দিয়াৰ ক্ষেত্ৰত কি প্ৰতিশ্ৰুতি আছে সেই বিষয়ত আলোচনা হলে ভাল হয়। বিধান সভাৰ সন্মুখত অনশন কৰিলে বেয়া অৱস্থাৰ সৃষ্টি হয়।

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :— সকলো বিষয় আলোচনা কৰা হব। মই নিজে চাব কমিটিত আছো আৰু ২৫ বছৰ বয়সৰ পৰাই পঞ্চায়তৰ লগত জড়িত আছো। গতিকে মই অসুবিধাসমূহ জানো। সেই অসুবিধাসমূহ দূৰ কৰিবৰ কাৰণে চেষ্টা কৰা হব।

শ্ৰীহেমেনদাস :— এই তাৰিখৰ পৰা ধৰ্ম্মঘট কৰিব। গতিকে ইয়াৰ আগতে কৰ্মচাৰী সকলৰ লগত আলোচনা কৰাৰ আশা কৰিব পাৰোনে ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :— এক তাৰিখত সম্ভৱ হব বুলি নাভাবো। এই বিভাগৰ মন্ত্ৰীজন চেক-আপৰ বাবে ডিব্ৰুগড়লৈ গৈছে তেখেত আহি পোৱাৰ পিছত কৰ্মচাৰী সকলৰ লগত আলোচনা কৰা হব।

শ্ৰীমধুৰা ডেকা :— কৰ্মচাৰী সকলে বিধান সভাৰ সন্মুখত ধৰ্ম্মঘট কৰিলে চৰকাৰে পুলিচৰ দ্বাৰা লাঠি লগাব।

মাননীয় অধ্যক্ষ :— সেইটো নহব। হাইপথিটিকেল কথা নহব। ভাবি কোৱা কথা হব নোৱাৰে।

Mr. SPEAKER —Now Item No. 4. Chairman, Committee on Privileges to move.

Shri NABIN CH. KATH HAZARIKA (Chairman, Committee of Privileges) —Hon'ble Speaker Sir, as Chairman of the Committee of Privileges, I beg to move that this Assembly agrees to the extension of time till 10th April, 1985 for submission of report of the Committee of Privileges relating to the complaint of breach of privilege made by the Hon'ble Minister, Parliamentary Affairs, Shri Abdul Muhib Mazumder against the Editor, Printer; Publisher and Reporter of the newspaper 'The Sentinel'.

Mr. SPEAKER —Now, I put the motion before the House that this Assembly agrees to the extension of time till 10th April, 1985 for submission of report of the Committee of Privileges relating to the complaint of breach of privilege made by the Hon'ble Minister, Parliamentary Affairs, Shri Abdul Muhib Mazumder against the Editor Printer, Publisher and Reporter of the newspaper 'The Sentinel'.

Motion is passed and time extended.

Now, Item No. 5.

Shri NABIN CH. KATH HAZRIKA (Chairman, Committee of Privileges) :—Hon'ble Speaker Sir, as Chairman of the Committee of Privileges, I beg to move that this Assembly agrees to the extension of time till 10th April 1985 for submission of report of the Committee of Privileges relating to the complaint of breach of privilege made by Shri Binoy Kumar Basumatari, MLA against the Editor, Printer, Publisher and Reporter of the newspaper 'Dainik Asom'.

Mr. SPEAKER :—Now, I put the motion that this Assembly agrees to the extension of time till 10th April, 1985 for submission of report of the Committee of Privileges relating to the complaint of breach of privilege made by Shri Binoy Kumar Basumatari, MLA against the Editor, Printer, Publisher and Reporter of the newspaper 'Dainik Asom'.

Motion is passed and time extended.

Now, Item No. 6 (a).

Shri JAGANNATH SINHA (Minister) —Sir, I beg to move that the Assam Town & Country Planning (Amendment) Bill, 1985 be taken into consideration.

Mr. SPEAKER —Motion moved.

*শ্ৰীহেমেন দাস:— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন পঢ়ি চাই দেখিলো যে, ইয়াত বিৰোধিতা কৰিবলৈ মই একো বিচাৰি পোৱা নাই। কাৰণ নগৰ এখন গঢ়ি উঠিবলৈ হলে পৰিকল্পিত ভাবে গঢ়ি তোলাতো কৰ্ত্তব্য। যিয়েই যতে যি ধৰণে ঘৰ দুৱাৰ বান্ধি এই যুগত কাম আৰম্ভ কৰিছে। আৰু এইটো কৰাৰ ফলত আমাৰ ভবিষ্যত বংশধৰ সকল মহা বিপদত পৰিব। পৰিকল্পিত ভাবে নগৰ বিলাকত ঘৰ দুৱাৰ বন্ধাৰ ফলত দেখা গৈছে যে, এই গুৱাহাটী মহানগৰী খনত কিছুমান ঘনবসতিপূৰ্ণ ঠাইত দুখন বিক্সা ইফাল সিফাল হব নোৱাৰে। ইয়াত এই বিষয়ে নজৰ কমকৈ দিয়া যেন পাইছো। তেওঁলোকে ঘৰ দুৱাৰ আদি ক্ষেত্ৰত কথাটো কৈছে কিন্তু তাত বাট পথৰো প্ৰয়োজন হৈছে। বিশেষকৈ বাট-পথ বিশেষ গুৰুত্বপূৰ্ণ। আজি যদি কিছুমান আৰ, চি, চি, ঘৰ গঢ়ি উঠিছে সেইবিলাক ১০ বছৰ বা ১০০ বছৰৰ পিচতো একো নহয় একেদৰেই থাকিব। কিন্তু তাৰ মাজৰ পথ বিলাক ১০০ বছৰৰ পিচত কি হব? গুৱাহাটী মহানগৰীৰ ৰাস্তাত গাড়ী চলিব নোৱাৰে। গতিকে এই অথৰিটিয়ে সেই বিষয়ে নজৰ দিব লাগে। ইয়াত কিছুমান সৰু সুৰা আসোৱাহো আছে। সেই আসোৱাহ বিলাক মই আঙুলিয়াই দিব বিচাৰিছো। অধ্যক্ষ মহোদয়, ৪ পৃষ্ঠাৰ প্ৰথম আসোৱাহ দেখিছো প্ৰথম পেৰাৰ

"After the requisition under sub-section (2) has been complied with, the Authority may depute by a written order a Police Officer.

এইটো অলপ আচৰিত ঘটনা। পুলিচ অফিচাৰ জন দেভেলপমেণ্ট অথৰিটিৰ অফিচাৰ নহয় যে, তেওঁক দেপুট কৰিব পাৰে। বাকী সকলো ঠিকেই আছে। কিন্তু অথৰিটিয়ে পুলিচ অফিচাৰক দেপুট কৰিব নোৱাৰে। কাৰণ পুলিচ তেওঁলোকৰ নিয়ন্ত্ৰণৰ ভিতৰত নহয়, পুলিচ তেওঁলোকৰ নিয়ন্ত্ৰণৰ বাহিৰত। তেওঁলোকে সহায়ৰ কাৰণে পুলিচৰ মানুহ বিচাৰিব লাগিব। বাকী কাম মানুহৰ দ্বাৰাই হব or an officer or employees of the authority to keep watch অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিভাগৰ পুনৰ সংশোধন আনিব লাগিব। এই কথাও ঠিক যে, ইয়াত যিবিলাক বিষয়ে লিখিছে বিশেষকৈ উচ্ছেদ সম্পৰ্কে, ঘৰ দুৱাৰ বন্ধাৰ স)পৰ্কে, আজি অন্যান্য টাউন বিলাকলৈ চালে আমি যিখন টাউনত আছো তাত কোনো সোধ পোছ নকৰাকৈ পইচা থাকিলে ঘৰ দুৱাৰ বান্ধি পেলায়। আজি ২৪ বছৰৰ আগতে দিচপুৰত মানুহ নাছিল। ২৪ বছৰৰ আগতে ইয়াত একোৱেই নাছিল। আজি দিচপুৰৰ চাৰিওফালে মানুহৰ বসতি হৈছে। ঘৰ এটাৰ পিচত এটাকৈ উঠিয়েই আছে। আৰু ইয়াত যিবিলাক ৰাস্তা হৈছে সেইবিলাকত দুখন গাড়ী ক্ৰচ কৰিব নোৱাৰে। মানুহে মাটি কিনি ঘৰ বান্ধিলেই নহয় ৰাস্তা পথ বিলাকো চোৱাৰ কাম দেভেলপমেণ্ট অথৰিটিয়ে কৰিব লাগে। আমাৰ প্ৰায় সকলো মানুহেই খেতিয়কৰ পৰিয়ালৰ পৰা অহা। তেওঁলোকে ঘৰ বান্ধোতে ৰাস্তাৰ যে প্ৰয়োজন, ড্ৰেইনৰ যে প্ৰয়োজন সেই কথা চিন্তা নকৰে। সেয়ে একেবাৰে ব্লেক টপিঙলৈকে ওৱাল বান্ধি দিয়ে। গতিকে সেইবিলাক ঠাইত দুখন গাড়ী ক্ৰচ কৰিব নোৱাৰে।

অধ্যক্ষ মহোদয়, আনকি দিচপুৰৰ আশে পাশে থকা গাওঁ বিলাকতো ৰাস্তাৰ দুখন গাড়ী ক্ৰচ কৰিব নোৱাৰে। এইটো আমাৰ দেভেলপমেণ্ট অথৰিটিৰ বিচাৰ্য্যৰ বিষয় হোৱা উচিত। এখন টাউন এটা বছৰ বা যুগৰ বাবেই নহয় আৱাহমান কালৰ পৰাই চলি থাকিব। যদি প্ৰাকৃতিক দুৰ্যোগত ক্ষতিসাধন নহয়। গতিকে এইবিলাকৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। আজি আমাৰ দুৰদৃষ্টিৰ অভাব পৰিলক্ষিত হৈছে। নতুনকৈ গঢ়ি উঠা ঠাইবিলাকত কিছুমান গাৱত দুনীতি কৰি মানুহে টকা পইচা পাইছে আৰু ঘৰ বান্ধিছে। ঘৰ বান্ধক তাত আপত্তি নাই, মাটি কিনিছে তাতো আপত্তি নাই, কিন্তু অহা যোৱা ৰাস্তাটো চাব লাগে। আজি নগৰৰ মানুহ বসবাসৰ বাবে কিহৰ প্ৰয়োজন? ভাল ড্ৰেইনেজ চিষ্টেম লাগে, ভাল ৰাস্তা লাগে। কিন্তু আজি দেখা গৈছে যে, ড্ৰেইন দিয়া ঠাই নাই "কনা হাহঁৰ ঠোটলৈকে মঙহৰ নিচিনা" কৈ ব্লেক টপিঙৰ ওচৰলৈকে ফেনচিং দি মানুহ বহি গৈছে। ২ বছৰৰ আগতে আমাৰ প্ৰাক্তন ৰেভিনিউ সচিবৰ ঘৰৰ ওৱাল ভাঙি দিব লগ হৈছে। এসময়ৰ ৰেভিনিউ সচিবে মাটি বে-দখল কৰিছিল আৰু তেওঁৰ তলত থকা কৰ্ম্মচাৰীয়ে পিচত গৈ এচ, দি, চিয়ে পকা দেৱাল ভাঙি দিব লগা হৈছে। গতিকে এইবিলাকৰ প্ৰতি প্ৰথমৰ পৰা দৃষ্টি ৰাখিব লাগে। ৰাস্তাৰ বাবে প্লেচ ৰাখি মানুহে ঘৰ বান্ধিব লাগে। অন্যান্য ৰাজ্যত এনেদৰে ঘৰ বান্ধিব নোৱাৰে। দিল্লীৰ গল্ড পাৰ্কত আমাৰ পাৰ্টিৰ কাৰণে ঘৰ বান্ধিবলৈ আজি দুবছৰেও পাৰমিচন পোৱা নাই। তাত কিছুমান এৰিয়াত টু ষ্টৰিদ আৰু কিছুমান মাল্টি ষ্টৰিদ বান্ধিবলৈ দিয় হয়। ইণ্ডাষ্টিৰ

ক্ষেত্ৰতো একেই কথা । দিল্লীৰ কনট প্লেচত এটা প্ৰেছ বহুৱাবলৈ নিদিয়ে । তাৰ বাবে বেলেগ ঠাই আছে । মিন্তু আমাৰ ইয়াত জন-বসতি পূৰ্ণ এলেকাতে ইণ্ডাষ্টি কৰি আছো । আমাৰ পলিউচন বিভাগেও কাম কৰা দেখা নাযয়া । চিলং গুৱাহাটী ৰাষ্টাৰ কাষত এটা ইণ্ডাষ্টি আছে তাত প্ৰেষ্টি-চাইদ বস্তু উৎপন্ন কৰে আৰু ফলত সেই এৰিয়াৰ পানী বিষাক্ত হৈ পৰিছে । এই সম্পৰ্কত এই দেভেলপমেন্ট অৰ্থৰিটিয়ে হাত দিয়া দৰকাৰ । জনবসতি পূৰ্ণ ঠাইত যত ইণ্ডাষ্টি বহিব নোৱাৰে তাত আমি ঘৰ আৰু ইণ্ডাষ্টি একেলগে পাতিছো । অকল বায়ু আৰু পানীয়েই যে বিষাক্ত হৈ পৰিছে সেইটো নহয়, ইণ্ডাষ্টিৰ যি ৰিং মাৰাং শব্দৰ পৰাও বায়ু বিষাক্ত হৈছে ।

এনেকৈয়ে আমাৰ মানুহ স্বাভাৱিক জীৱন-যাত্ৰা অসম্ভৱ কৰি তুলিছে, লৰা-ছোৱালীৰ পঢ়া-শুনাৰ প্ৰতি নজৰ দিবলৈ আজিলৈকে কোনো নাই।

মাণ্টাৰ প্লেনৰ কথা কোৱা হৈশে, আমি বোধকৰো যেতিয়া স্কুলত আছিলো, নহলেও কলেজত হব পাৰে। তেতিয়া কামাখ্যা ত্ৰিপাথী আছিল। এই মাণ্টাৰ প্লেনৰ অৱস্থা কি হৈছে আপুনি জানিছেই। গতিকে কাগজত বস্তুবিলাক নাথাকি বাস্তৱত থাকিব লাগে। নগৰ গঢ়ি তোলাৰ সম্পৰ্কে জনসাধাৰণৰ কল্যাণমূলক দৃষ্টি-ভঙ্গী হব লাগে। সিদিনা এখন উন্নয়ণ ডেভেলপমেন্ট অৰ্থৰিটি দেখিছো, বস্তু বিক্ৰী নকৰে অথচ বাৰ্তাৰ কাকতত ফুল পেইজ বিজ্ঞাপন দিছে, কি প্ৰয়োজন ?

আপোনালোকে এডমিনিষ্ট্ৰেটৰ নিযুক্তি দিয়াৰ কথা কৈছে, কিন্তু এই সকলে গাড়ীত বহি থকাৰ বাহিৰে উন্নয়ণৰ কথা চিন্তা নকৰি বিজ্ঞাপন দিছে। ইয়াৰ কি কাৰণ আছে ? আপোনালোকে যি সকলক মন্ত্ৰীত্ব দিব পৰদ নাই, সেই সকলৰে কাৰোবাক প্ৰশাসক কৰি দিব। গতিকে এই সকলে সকলো কাম-কাজৰ ওপৰত চকু ৰখাটো দৰকাৰ। মই আৰম্ভণীতে কৈছো যে বিলখনত আমাৰ আপত্তি কৰিব লগীয়া বস্তু বিচাৰি পোৱা নাই। মাত্ৰ এটা বস্তু বিচাৰি পাইছো আৰু সেইটো হৈছে অসমত ভাল ভাল আইনৰ অভাব হোৱা নাই, কিন্তু দুৰ্ভাগ্য সেইবোৰ চেলফত পৰি থাকে পইচা দিলেও কিনিবলৈ পোৱা নাযায়, কাৰ্য্যতঃ পৰিণত নহয়। আমি ইয়াত আইন পাছ কৰো আৰু গাওঁলৈ গৈ ৰায়তক আন ভাগে কওঁ। শৰৎ সিংহ ডাঙৰীয়াই কৈছিল আমাৰ মানুহ বিলাকেই বহুত মাটিৰ মালিক।

গতিকে, ভাল আইন পাছ কৰিলেই নহয়, কাৰ্য্যকৰী কৰাতো সামান্য মনোযোগ দিয়া উচিত।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, অসমৰ স্থায়ী ৰাজধানী যিহেতু চন্দ্ৰপুৰতেই কৰা হব গতিকে এই আইন প্ৰয়োগৰ যোগেদি যাতে সুপৰিকল্পিত ভাৱে নতুন ৰাজধানী নিৰ্মাণ কৰিব পাৰে তাৰ বাবে এই আইন খন অনা হৈছে । নতুন ৰাজধানী নিৰ্মাণৰ ক্ষেত্ৰত এটা কথালৈ লক্ষ্য ৰাখিব লাগিব যে ৰাজধানী নিৰ্মাণৰ ক্ষেত্ৰত যদিও এই আইন সহায়ক হব তেতিয়াও এটা বিপদ আহিব সেই অঞ্চলত বসবাস কৰি থকা ৰাইজৰ । মই নিজেও সেই অঞ্চললৈ গৈছোঁ । সেই খন এনে ঠাই নহয় য'ত কোনো মানুহ নাই । তাত আগৰ পৰাই বসবাস কৰি থকা মানুহ আছে, মাজে মাজে কিছুমান দ' পথাৰ আছে যত পানী হয় । সেই অঞ্চলত অসমৰ স্থায়ী ৰাজধানী নিৰ্মাণৰ কাৰণে এই আইন অনা হৈছে । এই ৰাজধানী নিৰ্মাণ কৰিবলৈ যাওঁতে যি খিনি মানুহৰ মাটি অধিগ্ৰহন কৰা হব সেই সকলে যাতে ক্ষতিপূৰণ পাব পাৰে তাৰ ব্যৱস্থা চৰতাৰে লব লাগিব । অসমত যিবিলাক টাওন মিউনিচিপালিটি এৰিয়া আছে তাতসুপৰিকল্পিত আচঁনিৰ অভাবত বাট-পথৰ দুৰৱস্থাৰ কাৰণে মানুহৰ সাংঘাটিক অসুবিধা । বাৰিষা নালাগে অলপ বৰষুণ হলেই বাট পথত খোজ কঢ়াৰ উপায় নাথাকে । এই বিলাক হৈছে সুপৰিকল্পনাৰ অভাবৰ ফল । এইটো ঠিক যে সুপৰিকল্পিত ভাৱে কৰিলেও এখন ঠাইত ৰাজধানী বা নগৰ নিৰ্মাণ হোৱাৰ পিচত সেই অঞ্চলৰ কিছুমান ৰাইজ এফেকটেড হয় যেনেকৈ দিচপুৰত ৰাজধানী কৰোতে কিছুমান মানুহ এফেকটেড হৈছিল । গতিকে আজিও এই ক্ষেত্ৰত এই আইন প্ৰয়োগ কৰিবলৈ যাওঁতে ৰাইজে যাতে কষ্ট ভোগ কৰিব লগীয়া নহয় সেই কথাটোলৈ নজৰ ৰাখিব লাগে । এই প্ৰসঙ্গত মই সমস্যাৰ কথা কব খুজিছোঁ ।

অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক মিউনিচিপালিটি আৰু টাওন এৰিয়াৰ নিৰ্দ্ধাৰণ কৰা হৈছে এই ক্ষেত্ৰত চৰকাৰী নিকায় সমূহলৈ যি ধন সাহাৰ্য্য দিয়া হয় তাৰ উচিত ব্যৱহাৰ কৰিছে নে নাই, এই কথালৈ লক্ষ্য নৰখাৰ ফলত তাত কাম কৰা কৰ্মচাৰী সকলে ঠিকমতে দৰমহা নেপায় আৰু দুই তিনিটা কিস্তিতহে এমাহৰ দৰমহা লব লগা হয়। যদি সচাঁকৈয়ে চৰকাৰে পৌৰ নিগম আৰু টাওন এৰিয়া বিলাকত উন্নয়ণমূলক কাম কৰিবলৈ বিচাৰিছে তেন্তে এটা প্ৰভিজন কৰি বেতন দিয়াৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে সেই নিগমবোৰত যি সামান্য পৰিমাণ কৰ সংগ্ৰহ হয় তাৰে তেওঁলোকে উন্নয়ণমূলক কাম কৰিব পাৰিব। ৰঙিয়াৰ পৌৰ নিগম এলেকাত পানী যোগান ব্যৱস্হা অচল হৈ আছে। বহুত দিন আগতে তাত এটা পাইপ ওৱাটাৰ চাপ্লাই স্কীম কৰিছিল যদিও আজিলৈ অচল হৈ পৰি আছে, গতিকে পানী যোগানৰ ব্যৱস্হা নাই। পৌৰ নিগমৰ এই দুৰৱস্হাৰ কাৰণ হৈছে তাত যিখিনি সামান্য কৰ সংগ্ৰহ হয় তাৰে তাৰ কৰ্মচাৰী সকলক দৰমহা দিওঁতেই যায়। মই আগতেও স্পষ্টীকৰণ বিচাৰিছিলো যে কৰ্মচাৰী সকলে প্ৰভিডেন্ট ফান্ডৰ ধন তেওঁলোকৰ অনিয়মিয়া দৰমহাৰ পৰা দিব লাগে। কিন্তু দেখা হৈছে যে লাখ লাখ টকা কত্তৃপক্ষই জমা নিদিয়াৰ ফলত ৰৈ আছে । মিউনিচিপাল কৰ্পৰেচনও তেওঁলোকৰ চেয়াৰ জমা দিব লাগে কিন্তু সেইটোও দিয়া নাই । উদাহৰণত শিলচৰ আৰু গোৱালপাৰাৰ কথা কব পাৰোঁ । তেওঁলোকে প্ৰভিডেন্ট ফাণ্ডত লাখ লাখ টকা জমা নিদিয়াকৈ আছে । ইয়াত যি সকল হৰিজন কৰ্ম্মচাৰী আছে তেওঁলোকেও মিনিমাম ওৱেজ ঠিক মতে নাপায় । এই ক্ষেত্ৰত চৰকাৰে যতন লব লাগে ।ট তেতিয়াহে অসমত যি বিলাক মিউনিচিপাল এৰিয়া আৰু টাউন এৰিয়া আছে সেই বিলাকৰ উন্নতি সম্ভৱ হব । চৰকাৰে যেনেকৈ প্ৰাগজ্যোতিষপুৰত ৰাজধানী পাতিবৰ কাৰণে পৰিকল্পনাৰ বাবে এখন আইন কৰি লৈছে সেই আইন যদি কাৰ্য্যকৰী কৰিব পৰা যায় তেনেহলে এখন ভাল পৰিকল্পিত ৰাজধানী হৈ উঠিব । এইবোৰৰ লগে লগে অসমত যি বিলাক গাওঁ এৰিয়া বা পৌৰ এলেকা আছে সেইবোৰৰ উন্নতিৰ কাৰণে চেষ্টা কৰিব লাগে। এই বিল খন অনাৰ লগতে আৰু এই সংশোধনীটো অনাৰ সুযোগটো চৰকাৰে নিশ্চয় সুবিধা পাব ৰাস্তা ঘাট আদি ভাল কৰাৰ কাৰণে। গুৱাহাটীৰ ৰাস্তা ঘাটৰ কথা সকলোৱে জানে। সেয়ে টাউন আৰু গাওঁ এলেকাৰ ৰাস্কা মাটিৰ কথা সহজেই অনুমেয়। গতিকে মই আশা ৰাখিছো এই বিল খন পাছ হোৱাৰ পিচত চৰকাৰে এই বিলাক ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্হা গ্ৰহণ কৰিব। ইয়াৰ যোগেদিয়েই গাওঁ আৰু নগৰ সমূহৰ উন্নতিৰ লগতে নতুন ৰাজধানীও সুপৰিকল্পিত ভাৱে গঢ়াত সহায় হব।

Shri SILVIUS CONDPAN :—Mr. Speaker, Sir, it is gratifying to note here that this Act has come for some amendment. First of all, Sir, I would like to suggest that the Assam Town and Country Planning, this name has become pretty old, because at that time there was no Corporation area in Assam. So, now I would like to suggest that the name should be changed to Assam Urban and Rural Development and the old name should be replaced My next point Sir, it is good that the amendment has been brought to make a provision in the Act so that the departmental work can be effectively and efficiently done for the new capital. In the past also this Act was amended and the Gauhati Development Authority has been constituted. Sir, this Gauhati Development Authority, it is within the provision of the Act, but what it is doing we do not know. We know, Sir, there is an office there is a chairman and there are some officers. Sir, these people are paid from the public exchequer but in return public is not getting anything. So by bringing amendment

and appointing people and giving them the best of salaries but denying facilities to the people will not do. And we legislators are helping in this. So this Gauhati Development Authority should either be abolished or it is activated. With these suggestions, Sir, I conclude.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, টাউন প্লেনিংৰ ওপৰত যিটো সংশোধনী আনিছে তাত বিশেষ কব লগীয়া নাই, টাউন হলে ভাল হয়। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ টাউন হৈছে কিন্তু ই পৰিকল্পিত ভাবে হোৱা নাই। এটা কথা মই দেখিছো যে এই টাউন বিলাক প্ৰথম নষ্ট কৰিছে দুই শ্ৰেণীৰ মানুহে। যি সকলৰ টকা আছে তেওঁলোকে জোৰ জবৰদস্তি কৰি মাটি কিনি যতে ততে ঘৰ বান্ধিছে কোনো পৰিকল্পনা নোহোৱাকৈ আৰু এক শ্ৰেণী যি শ্ৰেণীৰ টকা নাই তেওঁলোকে যতে ততে চালি বান্ধি আছে আৰু ৰাস্তাই ঘাটে পায়খানা কৰিছে, লেতেৰা কৰিছে। এই দুই শ্ৰেণীৰ মানুহৰ কাৰণেই অসমৰ চহৰ বিলাক নষ্ট হৈ আছে। এই দুটা শ্ৰেণীৰ মাজত যি ব্যৱধান সেই ব্যৱধানটো ব্যৱস্থা যদি আমি কৰিব নোৱাৰো তেতিয়া হলে সুপৰিকল্পিত ভাবে কেতিয়াও পৰিকল্পনা হব নোৱাৰে। গুৱাহাটীতে এক শ্ৰেণীৰ মানুহ আছে যি সকলে ৰিক্সা চলায়, ঠেলা চলায় তেওঁলোকে থকাৰ ঠাই নাই, হোটেলত থাকিবলৈ তেওঁলোকৰ পইচা নাই তেন্তে তেওঁলোক থাকিব কত ? এই কথা চিন্তা কৰা প্ৰয়োজন। এক শ্ৰেণীক ঘৰ আদি দিব নোৱাৰিলে যিমানেই পৰিকল্পিত ভাৱে নকৰক কিয় চহৰ কেতিয়াও উন্নত কৰিব নোৱাৰে, লেতেৰা হৈ থাকিবই। তেওঁলোকে ফুটপাথতে চালি সাজি থাকিব, তাতে পায়খানা কৰিব। আকৌ তাতে বজাৰো বহিব। মন্ত্ৰী মহোদয়ে চৰকাৰৰ ফালে কিছু কথা কবই লাগিব, সেইটো সুকীয়া কথা। কিন্তু এই সৰু মানুহ বিলাকৰ কথা কবই লাগিব তেওঁলোকে খাই লৈ জীয়াই থকাৰ ব্যৱস্থা নিজে কৰিব কিন্তু থকাৰ ব্যৱস্থা কত হব ? যদি চৰকাৰৰ ফালৰ পৰা একো কৰিব নোৱাৰে তেন্তে ৰাস্তাৰ ওপৰত লেতেৰা কৰিবই আৰু ৰাস্তাতে চাংবঙলা সাজিবই।

দ্বিতীয় কথা হল চহৰৰ এই আৱৰ্জনা পেলাব কত ? এইবোৰৰ কাৰণে যথা সম্ভৱ ব্যৱস্থা কৰা হোৱা নাই। গুৱাহাটীৰ আৱৰ্জনাবোৰ লৈ গল আমাৰ উত্তৰ ফালে তাত আমি এতিয়া দুৰ্গন্ধিত থাকিব নোৱাৰা অৱস্থা। কিছুমান অৱশ্যে পুৰতিছে। গুৱাহাটী ষ্টেডিয়াম আৰু বি, বৰুৱা কলেজ আদি আগতে মৰিশালী আদি আছিল তাতে বহু আৱৰ্জনা পুতি নতুন কৰি পেলোৱা হল। কিন্তু সকলো ক্ষেত্ৰতে সেইটো সম্ভৱ নহয়। আজি আমাৰ চৰকাৰে বহু পৰিকল্পনা কৰিছে কিন্তু এইবোৰতো বহু অসুবিধা আছে। পৰিকল্পনা কৰি আমাৰ কোৱাৰ্টাৰ হৈছে, চেনীটেৰী লেট্ৰিন হৈছে কিন্তু এই লেট্ৰিনৰ গেচ পাইপটো কোন পিনে দিব সেইটোকে কোনেও নাজানে।

চেনিটাৰী লেট্ৰিন বিলাকৰ যিটো গেচ পাইপ থাকে সেইটো তলতেই দিব লাগেনে, ওপৰতেই দিব লাগে নে মাজতে দিব লাগে সেইটো আমাৰ বৈজ্ঞানিক সকলে জানিব নোৱাৰিলে। তাৰ ফলত এম এল এ হোষ্টেলত যিবিলাক কৰিলে আৰু চেক্ৰেটাৰীয়েটত যিবিলাক ঘৰ কৰিলে তাত দুৰ্গন্ধিত মানুহ থাকিব নোৱাৰে। মই নিজে নিজে এটা ব্যৱস্থা কৰি লোৱাৰ কাৰণে এতিয়া গন্ধ নাইকীয়া হৈছে আৰামত আছো।

ভালে থাকিবলৈ হলে প্ৰথমতে সকলো ফালেই পৰিবেশটো ঠিক কৰি লব লাগিব। পৰিবেশ বেয়া হলে আপুনি ভিতৰত যিমানেই নকৰক সেই বিলাকে একো উপকাৰ সাধন কৰিব নোৱাৰিব। অকল ঘৰৰ পৰিবেশ ভাল হলেই নহব সেইদৰে, স্কুল-কলেজৰ পৰিবেশ ভাল হব লাগিব, কলকাৰখানাৰ পৰিবেশ ভাল হব লাগিব, মাটি আকাশ, বায়ু-পানী আদি সকলো ফালৰ পৰাই পৰিবেশ ভাল হব লাগিব।

শ্ৰীদাস ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ ৰাস্তা-ঘাট বিলাক ডাঙৰ কৰিব লাগে। সৰু শ্ৰেণীৰ মানুহ আৰু ডাঙৰ শ্ৰেণীৰ মানুহৰ মাজত ব্যৱধান ৰাখিব লাগে। এখন চহৰৰ সৰু শ্ৰেণীৰ মানুহক কত থাকিবলৈ দিব আৰু ডাঙৰ শ্ৰেণীৰ মানুহক থাকিবলৈ কত দিব সেই বিলাক আগতেই ঠিক কৰিব লাগিব যাতে

সৰু শ্ৰেণীৰ লোকে পৰিৱেশ বেয়া কৰিব নোৱাৰে। ডাঙৰ ডাঙৰ ধনীলোক সকলে টকাৰ বলত সৰুলোকৰ ওপৰত অত্যাচাৰ কৰে, মাটিৰ সীমা আক্ৰমণ কৰি মাটি বঢ়াবলৈ বিচাৰে। আৰু সেইমতে সৰুশ্ৰেণীৰ লোকক ঘৰ সাজি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰমেশ ফুকন :— নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো সংশোধনী প্ৰস্তাৱ আগবঢ়াইছে মই সেইটো সমৰ্থন কৰি এটা পৰামৰ্শ দাঙি ধৰিব বিচাৰিছো। অসমৰ বহুতো নগৰ ডেভেলাপমেণ্ট অথৰিটি নোহোৱাৰ কাৰণে অপৰিকল্পিত ভাবে গঢ়ি উঠিছে। সেই ক্ষেত্ৰত প্ৰয়োজনীয় ভাবে নগৰ পাতি দিয়া হোৱা নাই। আপোনালোকে উজনিলৈ বাছেৰে গলে দেখিব যে নগাওঁ নগৰখন পূবে, পশ্চিমে—উত্তৰে, দক্ষিণে চাৰিও ফালে অপৰিকল্পিত ভাবে বাঢ়ি যাব লাগিছে। এনে ধৰণেৰে নগৰখন বৃদ্ধি হোৱাৰ কাৰণে বহুতো অসুবিধাই দেখা দিছে। মই অনুৰোধ জনাব বিচাৰিছো যে ডেভেলাপমেণ্ট অথৰিটি গঢ়ি তুলি নগাওঁ নগৰখনক পৰিকল্পিত ভাবে গঢ়ি তুলিব লাগে। এই কথাটো যেন ডেভেলাপমেণ্ট কমিটি কৰাৰ সময়ত মনত ৰাখে।

শ্ৰীজগন্নাথ সিংহ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাস, শ্ৰীমথুৰা ডেকা, শ্ৰীপূৰ্ণ বৰো, শ্ৰীকন্দৰ্পাণ্ড, আৰু শ্ৰীফুকন, এই সকলে যিবিলাক পৰামৰ্শ দিছে মই ভাল পাইছো আৰু ইয়াৰ কাৰণে তেখেত সকলক ধন্যবাদ জনাইছো। এই সকলো বিলাক উপদেশ মই যিমান পাৰো পালন কৰিবলৈ চেষ্টা কৰিম।

শ্ৰীহেমেন দাস ডাঙৰীয়াই পুলিচৰ ডেপুটেচনৰ কথা কৈছে। পুলিচ বিভাগটো আমাৰ তলত নপৰে। অকল গুৱাহাটীতেই নহয় অসমৰ বহুতো চহৰত যে অপৰিকল্পিত ভাবে গ্ৰথ হৈছে সেইটো সচাঁ কথা। এইটো চেক কৰিবলৈ পৰিকল্পিত ভাবে যিখিনি কৰিব পৰা যায় সেইখিনি কৰিবলৈ চেষ্টা কৰি আছিছো। ইতিমধ্যে ডেভেলাপমেণ্ট অথৰিটি দুটা কৰা হৈছে। শ্ৰীফুকনে কোৱাৰ দৰে যত ডেভেলাপমেণ্ট অথৰিটি নাই সেই বিলাকত মাষ্টাৰপ্লেন কৰাৰ ব্যৱস্থা কৰা হৈছে। লগতে শ্ৰীদাস ডাঙৰীয়াই গুৱাহাটীত হেপাৰ্জাৰ্ড ওৱেত ৰাস্তা বিলাক হোৱাটো চেক কৰাৰ কথা কৈছে। আমি এইটো চেক কৰিব পাৰিলেই সকলো বিলাক চেক হব বুলি ভাবিছো। মিউনিচিপাল এক্টত এটা প্ৰভিজিয়ন আছে যে মিউনিচিপাল কৰপৰেচন ডেভেলাপমেণ্ট অথৰিটিৰ ওপৰত কোনো হাত নাই। আমি এই বিলাক ৰেচট্ৰিকচনৰ যোগে ইমপজ কৰিব বিচাৰিছো। যত ৪ তলা ঘৰ হব লাগে তাত ৪ তলাহে হবলৈ দিয়া হব, ৮ তলা হবলৈ দিয়া নহয়। এই বিলাক কথা আমি বিবেচনা কৰিছো।

শ্ৰীপূৰ্ণ বৰো ডাঙৰীয়াই কোৱাৰ দৰে মিউনিচিপালিটিক যে সহায় কৰিব লাগে সেইটো সচাঁ কথা। কাৰণ মিউনিচিপালিটিৰ খৰচৰ তুলনাত আয় তেনেই কম। এই বিভাগত আগতে যিবিলাক চাৰেণ্ডাৰ হৈছিল আজি দুই বছৰ ধৰি সেই বিলাক চেক কৰা হৈছে। টকা যেন ডাইভাৰচন নহয় তাৰ কাৰণে চেষ্টা কৰা হৈছে। আগতে টকা খৰচ নকৰাকৈয়ে ইউটিলাইজেচন চাৰটিফিকেট দিছিল। এতিয়া সেইটো বন্ধ কৰা হৈছে।
শ্লাম এৰিয়াৰ কথা যিটো কৈছে সেইটো কথা মই চাম। মই অলপতে দিল্লীলৈ যাওতে তাত হাউচিং ওৰ্কিং বিভাগৰ লগত আলোচনা কৰিছিলো। ওৱৰ্ল্ড বেংকৰ কেইজনমান সদস্যয়ো আজি কেইদিনমানৰ আগতে আমাৰ ইয়ালৈ আহি চাই গৈছেহি। প্ৰয়োজন হলে তেখেত সকলক আকৌ মাতি আনি দেখুৱাই আলোচনা কৰিব পাৰিম।

অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে কেইদিন মান আগতে হাডক'ৰ পৰা এটা টীম আহি এই কথাবোৰ পৰীক্ষা-নীৰিক্ষা কৰি গৈছে। আৰু তেওঁলোকে আমাক আশ্বাস দিছে যে ভৱিষ্যতে যদি আমাৰ তেওঁলোকক প্ৰয়োজন হয় তেনেহলে তেওঁলোকে আমাক সহায় আগবঢ়াব। ইয়াৰ বাহিৰেও আমি ভাৰতৰ বিভিন্ন চহৰৰ পৰা তেওঁলোকৰ যিবোৰ স্কীম সেইবোৰো আনি পৰীক্ষা কৰা হৈছে। অৱশ্যে আমাৰ আগত যিবোৰ স্কীম এপ্ৰুভ কৰি কিছু কাম কৰা হল সেইবোৰ আমি সলনি কৰিব নোৱাৰো। কিন্তু ভৱিষ্যতে যাতে উন্নয়নৰ কামত এনেবোৰ অসুবিধা নহয় তাৰ কাৰণে আমি চেষ্টা কৰিম।

মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই এটা কথা কৈছে যে মিউনিচিপেলিটিৰ কৰ্ম্মী সকলৰ প্ৰভিডেন্ট ফান্দৰ যিটো কন্ট্ৰিবিউচন আৰু হৰিজন সকলৰ যিটো মিনিমান ওৱেজ সেইটো দিয়া হোৱা নাই। এই বিষয়ত মই মাননীয় সদস্য গৰাকীক জনাব খোজো যে এই কেইটা বিষয় আমাৰ বিষয় নহয়। মিউনিচিপেলিটি কৰ্ম্মী সকলৰ প্ৰভিডেন্ট ফাণ্ডৰ বিষয়টো যদি প্ৰভিডেন্ট ফাণ্ড অথৰিটিয়ে আৰু হৰিজন সকলৰ মিনিমাম ওৱেজৰ বিষয়টো এগ্ৰিকালচাৰ ইনস্পেকচনৰ ফালৰ পৰা কমপ্লেইন কৰে তেতিয়াহে এই বিষয় দুটাৰ ব্যৱস্থা লব পৰা হব।

মাননীয় সদস্য শ্ৰীকন্দপান ডাঙৰীয়াই আমাৰ বৰ্ত্তমান বিভাগটোৰ যিটো নামাৰে জনা যায় সেই বিষয়ে এষাৰ কথা কৈছে। অধ্যক্ষ মহোদয়, এই বিভাগটোৰ বৰ্ত্তমান যি পৰিসীমা সেইটো অকল চহৰতেই আবদ্ধ নহয়। কান্ট্ৰী চাইদো ইয়াৰ লগত আহি যায়। আৰু যিহেতু এইটো নামেৰেই আগৰ পৰা চলি আহিছে আৰু আটাইখিনি বস্তুকে সামৰি লৈছে সেই কাৰণে আমি এতিয়া নামটো বদলাব লাগিব বুলি ভবা নাই।

অধ্যক্ষ মহোদয়, আমি যিখন নতুন ৰাজধানী পাতিবলৈ ওলাইছো, সেইখনত আমি বিশেষকৈ চকু দিছো যাতে এইখন চাৰিওফালৰ পৰা প্লেন লৈ কৰা হয়। এইবোৰ কাম কৰিবলৈ যাওঁতে আমি কেৱল বিভাগৰ ওপৰত নিৰ্ভৰ কৰিলেই নহব। এই ক্ষেত্ৰত আমাৰ জনসাধাৰণৰ, এই সদনৰ মাননীয় সদস্য সকলৰ আটাইৰে সহযোগ লাগিব। আৰু সকলোৰে সহযোগ কৰিলেহে আমি সফলতা লাভ কৰিব পাৰিম। সেই কাৰণে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যাতে তেখেতসকলে আমাৰ এই আঁচনিবোৰ কাৰ্য্যকৰী কৰিবলৈ যাওতে সহায় সহযোগ আগবঢ়াই। মোৰ বোধেৰে মই মাননীয় সদস্য সকলৰ আটাইবোৰ পইন্টৰ উত্তৰ দিব পাৰিছো আৰু মই তেখেত সকলক অনুৰোধ কৰিছো যাতে এই বিল খন পাছ কৰি দিয়াত মোক সহায় কৰে।

শ্ৰীচিলভিয়চা কন্দপান :— অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছে। আমাৰ বৰ্ত্তমান যিটো টাউন এণ্ড কান্ট্ৰী প্লেনিং বিভাগ —এনে নামৰ বিভাগ ভাৰতৰ অন্য ৰাজ্যত নাই। ইয়াৰ নামটো আৰবান এণ্ড ৰুৰেল এৰিয়া ডেভেলেপমেন্ট বিভাগ হিচাবে হলেহে ভাল হব বুলি মই পৰামৰ্শ দিছোঁ।

শ্ৰীজগন্নাথ সিনহা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰি চোৱা হব।

Mr. SPEAKER —Now, I put the motion. The motion is that the Assam Town and Country Planning (Amendment) Bill, 1985, be taken into consideration.

(The motion is passed.)

Now, 6(b).— Since there is no amendment to the bill I put Clause (2) to Clause (11).

Now, Clause (2) to Clause (11) do form part of the bill.

Clause (2) to Clause (11) form part of the bill.

Now, I put clause (1) preamble enacting formula and short title of the Bill.

Clause (1) preamble enacting formula and the short-title of the bill form part of the bill.

Now, Item No. 6 (c).

Shri JAGANNATH SINHA (Minister) —Sir, I beg to move that the Assam Town and Country Planning (Amendment) Bill, 1985, be passed.

Mr. SPEAKER :—The motion moved. Now, I put the motion. The motion is that the Assam Town and Country Planning (Amendment) Bill, 1985, be passed.

The Bill is passed.

Now, the House stands adjourned till 10 a. m. on 1st April, 1985.

## ADJOURNMENT

The House then rose at 11-16 A. M. and stood adjourned till 1st April, 1985.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

Dated Dispur:
The 29th March, 1985.

AGP. (Mini) L. A. 89/88—1500—15-6-88